


অসমীয়া দৈনিক

# নতুন স্বদেশ

RNI REGD. NO :ASSASS/2022/82920

(গুৱাহাটী আৰু কোকৰাঝাৰৰ পৰা প্ৰকাশিত)

GUWAHATI, KAMRUP [METRO], ASSAM ● NATUN SWADESH ● VOL- 4, No.- 336 ● Total Page 8 ● Price Rs 7.00 ● চতুৰ্থ বছৰ, সংখ্যা- ৩৩৬ ● ১০ শাওন , ১৯৪৮ ঃ সোমবাৰ, ২৭ জুলাই, ২০২৬, MONDAY, 27 JULY, 2026 ● মূল্য ঃ ৭.০০ টকা



## যন্তৰ মন্তৰত আঁতৰিল বেৰিকেডঃ খুলি দিয়া হ'ল বন্ধ হৈ থকা মেট্ৰ'ষ্টেচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰাৰ পাছতেই ক'কৰোচ জনতা পাৰ্টিয়ে তেওঁলোকৰ দীৰ্ঘদিনীয়া প্ৰতিবাদী কাৰ্যসূচীৰ অন্ত পেলায়। এই ঘোষণাৰ পাছতে দেওবাৰে পুৱাৰ পৰা ৰাজধানীৰ ঐতিহাসিক প্ৰতিবাদস্থলী যন্তৰ-মন্তৰত ব্যাপক চাফাই অভিযান আৰম্ভ কৰে। নিৰাপত্তাৰক্ষী আৰু পৌৰসভাৰ কৰ্মীসকলে জৰুৰীভাৱে স্থানডোখৰৰ বেৰিকেডসমূহ আঁতৰাই প্ৰতিবাদস্থলীত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাম চলাই আছে। আনহাতে, প্ৰতিবাদ সমাপ্ত হোৱাৰ লগে লগে ৰাজধানী চহৰখনৰ যাতায়াত ব্যৱস্থাও স্বাভাৱিক অৱস্থালৈ উভতি আহিছে। দিল্লী মেট্ৰ' ৰেল কৰ্প'ৰেচনে জাৰি কৰা এক জাননী অনুসৰি, তেওঁলোকৰ সমগ্ৰ নেটৱৰ্কৰ সকলো মেট্ৰ' ষ্টেচনতে স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ হৈছে। যাত্ৰীসকলৰ সুবিধাৰ্থে সকলো ষ্টেচনৰ প্ৰৱেশ আৰু প্ৰস্থানৰ দুয়োখন দুৱাৰ সম্পূৰ্ণৰূপে মুকলি কৰি দিয়া হৈছে। উল্লেখযোগ্য যে, ধাৰাবাহিক প্ৰতিবাদৰ বাবে নিৰাপত্তাজনিত (৬ পৃষ্ঠালৈ)

## কাৰ্গিল বিজয় দিৱসত বীৰ সৈনিকসকললৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** আজি ২৬ জুলাই অৰ্থাৎ কাৰ্গিল বিজয় দিৱস। ১৯৯৯ চনৰ ২৬ জুলাইৰ দিনটো ভাৰতীয় সেনাৰ ইতিহাসত সোণালী আখৰেৰে খোদিত হৈ আছে। এই দিনটোতে ভাৰতে কাৰ্গিল যুদ্ধত বিজয় সাব্যস্ত কৰিছিল। কাৰ্গিল বিজয় দিৱস কাৰ্গিলত শ্বহীদ হোৱা নায়কসকলৰ সন্মানাৰ্থে পালন কৰা হয়, যিসকলে মাতৃভূমিৰ সেৱা কৰি শ্বহীদ হৈছিল। প্ৰতিবছৰে এই দিনটোত দেশৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক স্মৰণ কৰা হয়। দেশজুৰি উদযাপন কৰা কাৰ্গিল বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১৯৯৯ চনৰ কাৰ্গিল(৬ পৃষ্ঠালৈ)

## মান কি বাটৰ ১৩৬ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰীৰ ভাষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** আমাৰ জীৱনত এনেকুৱা কিছুমান দিন আছে যিবোৰ মনত ৰাখিবলৈ কেলেণ্ডাৰৰ প্ৰয়োজন নাই। আজি ২৬ জুলাই, তেনে(৭ পৃষ্ঠালৈ)

### বানৰ সংহাৰ, মৃতকৰ সংখ্যা ৬৮লৈ বৃদ্ধি ঃ উদ্ধাৰ হৈয়ে আছে মৃতদেহ

# উজনিৰ বানত প্ৰভাৱিত ৭ লাখ লোক !

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** বানৰ ফলত মৃত্যুমুখত পৰা ইজনৰ পাছত সিজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱাত মৃত্যু হোৱা লোকৰ পৰিসংখ্যা বাঢ়ি গৈ আছে। ৰাজ্যত অব্যাহত আছে শাওণমহীয়া বানৰ তাণ্ডৱ। শেহতীয়া তথ্য অনুসৰি, বান আৰু নগৰীয়া বানৰ ফলত ৰাজ্যখনত মুঠ মৃতকৰ সংখ্যা ৬৮-গৰাকীলৈ বৃদ্ধি পাইছে (উজনিৰ বানৰ ফলত ৬৭গৰাকী আৰু (৬ পৃষ্ঠালৈ)



## এছটিএফৰ গ্ৰেপ্তাৰ কাৰ্যক আদৰণি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পাকিস্তানস্থিত শ্বাহজাদ ভাট্টি নেটৱৰ্ক (এছ বি এন)ৰ বিৰুদ্ধে বিশেষ টাস্ক ফ'ৰ্চৰ এই কাৰ্যক "ৰাষ্ট্ৰ বিৰোধী উপাদানৰ বিৰুদ্ধে এক উল্লেখযোগ্য অভিযান" বুলি অভিহিত কৰি কয় যে এই অভিযানে ৰাজ্যখনত নেটৱৰ্কৰ উপস্থিতি উদঙাই দিছে। এক্সৰ ওপৰত এটা পোষ্টত শৰ্মাই কয় যে ধুবুৰী, চিৰাং আৰু বৰপেটাৰ জিলা আৰক্ষীৰ সহযোগত এছটিএফে কথিত এছবিএন কৰ্মীৰ বিৰুদ্ধে অভিযান চলাইছিল। মুখ্যমন্ত্ৰীয়ে কয় যে এই অভিযানৰ ফলত পাঁচটা মোবাইল ফোন, ৭টা চিম কাৰ্ড, আধাৰ কাৰ্ড, ডেবিট কাৰ্ড, বেংকৰ পাছবুক আৰু "অন্য অভিযোগনামা" জব্দ কৰা হয়। এছটিএফৰ মতে, নিযুক্তি, অনলাইন উগ্ৰবাদ, গোপনীয়তা, লজিষ্টিক, চোৰাংচোৱাগিৰি, অবৈধ অস্ত্ৰ ক্ৰয়, শ্লীপাৰ চেল সৃষ্টি আৰু সুবিধা প্ৰদানৰ সৈতে জড়িত পাকিস্তান ভিত্তিক সন্ত্ৰাসবাদী-(৬ পৃষ্ঠালৈ)

## এভাৰেষ্ট বিজয়ী অসমৰ প্ৰথমগৰাকী মহিলা ৰূপামণি গড়ক সম্বৰ্ধনা জ্ঞাপন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ২৬ জুলাই ঃ** পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্টৰ শিখৰ আৰোহণ কৰি ইতিহাস ৰচনা কৰা অসমৰ প্ৰথমগৰাকী মহিলা ৰূপামণি গড়ক আজি দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। একেটা অনুষ্ঠানতে উক্ত অভিযানটোৰ সফল নেতৃত্ব বহন কৰা অসমৰ আন এগৰাকী গৌৰৱ তথা ভাৰত-তিব্বত সীমা আৰক্ষী বাহিনী (আই টি বি পি)ৰ সহকাৰী কমাণ্ডেণ্ট ভণিতা তিমুংপীকো আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। দুয়োগৰাকী পৰ্বতাৰোহীৰ এই অসাধাৰণ কৃতিত্বৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীয়ে ৰূপামণি গড়লৈ 10 লাখ টকা আৰু ভণিতা তিমুংপীলৈ(৬ পৃষ্ঠালৈ)



### সম্পাদকীয় বিশেষ

■ দীপজ্যোতি ডেকা, মুখ্য সম্পাদক

## অসমৰ বান সমস্যাৰ সমাধান ক'ত ?

অসমৰ বানপানী সম্পূৰ্ণকৈ ৰুধিব পৰা নাযায়, কাৰণ ই আমাৰ ভৌগোলিক অৱস্থানৰ লগত জড়িত। কিন্তু ইয়াৰ ক্ষতি বহু পৰিমাণে কমাব পাৰি। ৰাষ্ট্ৰীয় বান আয়োগৰ মতে অসমৰ প্ৰায় ৩১, ৫০০ বৰ্গ কিলোমিটাৰ এলেকা বানপ্ৰৱণ, যিটো ৰাজ্যৰ মুঠ মাটিকালিৰ প্ৰায় ৩৯.৫৮-শতাংশ। ইয়াৰ মূল কাৰণ ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ ১০০ খনতকৈ বেছি উপনৈ, অসমৰ ঢাল, অৰুণাচলত হোৱা বৰষুণৰ পানী একেলগে নামি অহা, (৪ পৃষ্ঠালৈ)



## অসমৰ বান ঃ কেন্দ্ৰৰ পৰ্যাপ্ত সহায়-সহযোগিতাৰ আশ্বাস কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰ জিলাৰ বিভিন্ন বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত পৰিয়ালসমূহৰ খবৰ লোৱাৰ লগতে সাহায্য আৰু উদ্ধাৰ ব্যৱস্থাৰ সামগ্ৰিক পৰ্যালোচনা কৰে। তেখেতে পুনৰবাৰ স্পষ্ট কৰি কয় যে, অসমৰ বানাক্ৰান্ত প্ৰতিগৰাকী নাগৰিকৰ কাষত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সম্পূৰ্ণ দায়বদ্ধতাৰে থিয় হৈ আছে। ইয়াৰ পূৰ্বে, ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ পৰা সোণোৱালে অসম অলিম্পিক সন্থাৰ বান সাহায্য অভিযানৰ শুভাৰম্ভ কৰে। এই সাহায্য সামগ্ৰীবাহী বাহনসমূহে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহলৈ খাদ্য, বস্ত্ৰ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িয়াই নিছে। সোণোৱালে (৬ পৃষ্ঠালৈ)

## কমনৱেলথ গেমছৰ চতুৰ্থ দিনত মীৰাবাই চানুৰ স্বৰ্ণ জয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ , ২৬ জুলাই ঃ** গ্লাছগোত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছৰ চতুৰ্থ দিনাৰ পৰাই একচন আৰম্ভ হৈছে, আৰু আজি ভাৰতীয় অনুৰাগীৰ বাবে বিশেষ গেম হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। ভাৰতে আজি পাঁচটা স্বৰ্ণ পদক লাভ কৰাৰ এক কল্পনাতীত সুযোগ লাভ কৰিছে, কিয়নো ভাৰতীয় খেলুৱৈসকলে কেইবাটাও চূড়ান্ত ইভেণ্টত প্ৰতিদ্বন্দ্বিতা কৰিব। ভাৰোত্তোলন, জিমনাষ্টিক, সাঁতোৰ, আৰু বক্সিঙৰ দৰে ক্ৰীড়াৰ ক্ষেত্ৰত ভাৰতীয় খেলুৱৈসকলৰ পৰা তাৰকাময় প্ৰদৰ্শন আশা কৰা হৈছে। ল'ন বাউলছৰ জৰিয়তে দিনটোৰ আৰম্ভণি হয়, য'ত ভাৰতীয় যুটি ৰূপা ৰাণী আৰু পিংকি সিঙৰ যুটিয়ে মহিলাৰ যুটি ইভেণ্টত নামিবিয়াৰ মুখামুখি হয়। ইয়াৰ পাছত ল'ন বাউলছৰ আন এখন মেচতো ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে খেলাৰ কথা। ২০২৬ চনৰ কমনৱেলথ (৬ পৃষ্ঠালৈ)



# ঐতিহাসিক জামুগুৰি সাৰ্ব্বজনীন গৰখীয়া থানত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱৰ সামৰণি

**নতুন স্বদেশ সেৱা, পশ্চিম নগাঁও,** ২৬ জুলাই ঃ নগাঁও জিলাৰ বেবেজীয়াৰ নিচেই সমীপৰ জামুগুৰিত অৱস্থিত প্ৰায় তিনিশৰো অধিক বছৰ পুৰণি সাৰ্ব্বজনীন গৰখীয়া থানত প্ৰতি বছৰে উদযাপিত হৈ অহা এটি বাৰ্ষিক উৎসৱ হৈছে 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি। জনবিশ্বাস মতে, পৰম্পৰাগতভাৱে প্ৰতি বছৰে বেছ ওলহ-মালহেৰে অনুষ্ঠিত কৰি অহা এই উৎসৱভাগত শুদ্ধ মন আৰু সৰলভাৱে কোনো লোকে যদি শৰাই-সঁফুৰা আগবঢ়াই তেন্তে তেনেলোকৰ অপূৰণ অভীপ্সা পূৰণ হয়। সেয়ে এনে গভীৰ বিশ্বাসেৰে বছৰৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ভক্ত আহি ইয়াত শৰাই-নৈবেদ্য আগবঢ়াই। এইবেলি ৩২ তম বাৰ্ষিক এই 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি শনিবাৰৰ পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে দুদিনীয়াকৈ উদযাপিত কৰা হয়। তদনুযায়ী বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা ভক্তৰ উপস্থিতিৰে থান প্ৰাংগণ উদুলি-মুদুলি হৈ পৰাৰ লগতে এক সুন্দৰ আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত ধেনুৰাম নাথ, পোনাৰাম নাথ, মাধৱ নাথ, ভুৱন নাথ, গোলাপ নাথ, চেনাৰাম নাথ, কমল নাথ আৰু কমল মহন্তৰ নেতৃত্বত পৰিৱেশ নিকাকৰণৰ অন্তত থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা মণিকূটত বন্তিপ্ৰজ্বনেৰে উৎসৱটিৰ শুভাৰম্ভ ঘটোৱা হয়। ইয়াৰ পিছতে উদযাপন সমিতিৰ সভাপতি দেৱেন চন্দ্ৰ নাথে ধৰ্মধ্বজা উত্তোলন কৰাৰ বিপৰীতে স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ প্ৰাক্তন সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই। ইয়াৰ পিছতে কীৰ্তন পাঠ কৰে বয়োজ্যেষ্ঠ ব্যক্তি মুনিন্দ্ৰ নাথে। দুপৰীয়া গায়ন বিৰেন নাথ আৰু বায়ন ৰুহিত নাথৰ পৰিচালনাত খোল আৰু নাম-প্ৰসংগেৰে অঞ্চলৰ আকাশ-বতাহ মুখৰিত কৰি তোলা হয়। বিয়লি অনুষ্ঠিত হোৱা ভাগৱত পাঠ অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে বেবেজীয়াৰ বিনন্দ চন্দ্ৰ বৰদলৈয়ে। ভাগৱত পাঠ অনুষ্ঠানত পাঠাচাৰ্য হিচাপে ৰহা সৰাগাঁৱৰ অনিল নাথ, মৰিগাঁৱৰ মহেন্দ্ৰ নাথ বৈষ্ণৱ আৰু কুৰুৱাবাহীৰ সুশীল নাথে অংশগ্ৰহণ কৰে। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বনেৰে থান চৌহদ উজ্জ্বলাই তোলা হয়। ইফালে, দেওবাৰে উৎসৱৰ দ্বিতীয় দিনা পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু ভক্তপ্ৰাণ সেৱকীসকলে আগবঢ়োৱা শৰাই উছৰ্গাৰ অন্তত পাঠাচাৰ্য অনন্ত নাথৰ দ্বাৰা কীৰ্তন পাঠ পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে গায়ন হেমকান্ত নাথ আৰু বায়ন মুহিধৰ নাথৰ পৰিচালনাত খোল আৰু নাম-প্ৰসংগ আৰু পাঠাচাৰ্য ধনেশ্বৰ নাথৰ দ্বাৰা কীৰ্তন পাঠৰ লগতে গোপাল ভোগ পৰিৱেশন কৰা হয়। দুপৰীয়া মুনিন্দ্ৰ নাথ আৰু অনন্ত নাথৰ পৰিচালনাত মহানামৰ শুভাৰম্ভ কৰা হয়। অগণন ভকত-বৈষ্ণৱৰ উপস্থিতিত বাবলু কুমাৰ নাথৰ নেতৃত্বত মৰিগাঁও আঞ্চলিক নামতি দলে পৰিৱেশন কৰা এই মহানামৰ অমিয়া ধ্বনিত সমগ্ৰ অঞ্চল বিলীন হৈ পৰাৰ বিপৰীতে থান চৌহদত এক মনোমোহা পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। সেইদৰে, বিয়লি মহানামৰ সামৰণিৰ পিছতে প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষা পৰিৱেশনেৰে উক্ত "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱৰ যৱনিকা পেলোৱা হয়।

# ছয়খন গ্ৰন্থ উন্মোচনৰে সামৰণি পৰিল ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ দুদিনীয়া ৰূপালী জয়ন্তী

**নতুন স্বদেশ সেৱা, মৈৰাবাৰী,** ২৬ জুলাই ঃ নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ৰ প্ৰাংগনত কালিৰে পৰা অনুষ্ঠিত হোৱা ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ ৰূপালী জয়ন্তী অনুষ্ঠানত আজি ছয়খন কৈ গ্ৰন্থ উন্মোচনৰে সামৰণি পৰে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি আজি পুৱা বজাত পৰিৱেশ নিকা কৰণ কৰাৰ পাছত পুৱা ১০ বজাত অনুষ্ঠিত হয় বৃক্ষৰোপণ কাৰ্যসূচীত ধিং মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক অজিত শৰ্ম্মাই মহাবিদ্যালয়ৰ চৌহদত এটি নাহৰ পুলি ৰোপণ কৰি আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰা বৃক্ষৰোপণ কাৰ্যসূচীত সাংবাদিক নৃপেন বৰা, মহাবিদ্যালয়ৰ কৰ্মচাৰী ক্ষীৰধৰ নাথকে ধৰি আন কেইবাগৰাকী ব্যক্তিয়ে পাচঁটাকৈ নাহৰৰ পুলি ৰোপণ কৰে। পাছত পুৱা ১১-৩০ বজাত অনুষ্ঠিত হয় মুকলি সভা আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান। জাগৰণ সাহিত্য গোষ্ঠীৰ সভাপতি মুকুল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত ছয় পৃষ্ঠা জোৰা সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে গোষ্ঠীৰ মুখ্য সম্পাদক প্ৰেমেশ্বৰ ঠাকুৰীয়াই। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰদীপ দে সৰকাৰৰ ৰচিত জাগৰণ শীৰ্ষক এটি গীত সমবেত সংগীত হিচাপে পৰিৱেশন কৰে উদযাপন সমিতিৰ মহিলা কোষৰ বিষয় ববীয়াই। ইয়াৰ লগে লগে ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদনা সমিতিয়ে বিপুল বৰাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'জাগৰণ শীৰ্ষক স্মৃতিগ্ৰন্থ খনি উন্মোচন কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই। উন্মোচনী ভাষণ প্ৰসংগত আয়ুক্ত শৰ্মাই গ্ৰন্থ খনিত প্ৰকাশ হোৱা গল্প, কবিতা তথা লেখা সমূহ উন্নত মানৰ হোৱা বুলি প্ৰকাশ কৰে। ইয়াৰ লগে লগে গোষ্ঠীৰ সদস্য গুণজিৎ মজুমদাৰে প্ৰকাশ কৰি উলিওৱা 'সোণবোলীয়া হেঁপাহ' শীৰ্ষক কাব্যগ্ৰন্থ খনি উন্মোচন কৰে ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰীকাই, গোষ্ঠীৰ সম্পাদিকা দীপাঞ্জু বৰাই প্ৰকাশ কৰি উলিওৱা 'গাঁওবোৰ গাঁও হৈয়ে থাকক' শীৰ্ষক কাব্যগ্ৰন্থখন উন্মোচন কৰে নগাঁও জিলাৰ বিশিষ্ট সাংবাদিক মুৰুলী বৰুৱাই, আনহাতে গোষ্ঠীৰ অন্যতম সদস্যা জোনালী শইকীয়া বৰাই প্ৰকাশ কৰি উলিওৱা 'ফাগুনৰ ৰং' শীৰ্ষক কবিতা সংকলন খনি উন্মোচন কৰে ধিঙৰ বিশিষ্ট কবি - সাহিত্যিক দিলীপ কুমাৰ নাথে, তদুপৰি গোষ্ঠীৰ মুখ্য সম্পাদক প্ৰেমেশ্বৰ ঠাকুৰীয়াই প্ৰকাশ কৰি উলিওৱা 'দ্ৰোণাচাৰ্যৰ উত্তৰাধিকাৰী' শীৰ্ষক গল্পপুথিখন উন্মোচন কৰে বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে আৰু গোষ্ঠীৰ সভাপতি মুকুল চন্দ্ৰ বৰাই প্ৰকাশ কৰি উলিওৱা 'বাৰিষাৰ পথাৰত সৃষ্টিৰ চেতনা' শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰে ধিং মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° ৰিয়াজ উদ্দিন আহমেদে। আজি উন্মোচিত ছয়খন গ্ৰন্থৰ উন্মোচক সকলে উন্মোচন কৰা গ্ৰন্থ সমূহৰ ওপৰত আলোকপাত কৰি ভূয়সী প্ৰশংসা কৰে। আনহাতে এই মুকলি সভা আৰু গ্ৰন্থ উন্মোচনি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গোষ্ঠীৰ এনে সৃষ্টিশীল কাৰ্যক প্ৰশংসা কৰি ভাষণ ৰাখে ক্ৰমে শোনিতপুৰৰ অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী, নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথ, নগাঁও বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাংক শইকীয়া, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰাই। এই অনুষ্ঠানতে যোৱা কালি দুটা শাখাত হৈ যোৱা চিত্ৰাংকন আৰু নিৰ্বাচিত কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক একোখনকৈ ফুলাম গামোছা, মানপত্ৰ, স্মাৰক আৰু মাননিয়ে বঁটাসমূহ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত নগাঁও আৰু মৰিগাঁও জিলাৰ বহু সংখ্যক কবি সাহিত্যিকৰ লগতে স্থানীয় প্ৰায় তিনি শতাধিক লোকে অংশ গ্ৰহণ কৰে।

# শুৱালকুছিত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**নতুন স্বদেশ সেৱা, শুৱালকুছি,** ২৬ জুলাই ঃ বৃহত্তৰ শুৱালকুছি অঞ্চলৰ ২০২৫-২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰী সকলক অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৃহত্তৰ শুৱালকুছি শাখাৰ তৰফৰ পৰা আজি শুৱালকুছি প্ৰেক্ষাগৃহত সম্বৰ্ধনা জনোৱা হয়। সভাখনত সভাপতিত্ব কৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ শুৱালকুছি মণ্ডলৰ সভাপতি তীৰ্থনাথ শৰ্মাই। বৃহত্তৰ শুৱালকুছি অঞ্চলৰ মুঠ ১৩খন শিক্ষানুষ্ঠানৰ ২১০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয় এই সভাত। সম্বৰ্ধনা সভাত উপস্থিত থাকি ৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে, এখন ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ছাত্ৰ শক্তিৰ অৰিহণা যথেষ্ট আছে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে বৃহত্তৰ শুৱালকুছি অঞ্চলতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰিবলৈ বা ছাত্ৰ-ছাত্ৰী সকলক সঠিক পথৰ সন্ধান দি ভৱিষ্যতৰ ৰাষ্ট্ৰশক্তি হিচাপে গঢ়ি তোলাত অৰিহণা আগবঢ়াই আহিছে। আনহাতে আজিৰ এই সম্বৰ্ধনা সভাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকলেও নিজৰ অধ্যয়নৰ লগতে দেশ সেৱাৰ মানসিকতা বুকুত বান্ধি আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰাৰ কথা ব্যক্ত কৰে। সভাত উপস্থিত থাকে শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্তৰ লগতে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বহু কেইগৰাকী বিষয় ববীয়া।




## দৈনিক ৰাশিফল

জ্যোতিষী- ড° ৰেৱন দেৱ শৰ্মা, ভ্ৰাম্যভাষ ঃ ৯৮৬৪৫১৩৮৪৫

২৭ জুলাই ইং ১০ শাওণ, সোমবাৰ

মেষ ৰাশি (অ,ল) : - মেষ ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত কাৰ্য্যত ব্যস্ততা বৃদ্ধি। পাৰিবাৰিক দিশত সু সামঞ্জস্য বৰ্তি থাকিব। মনৰ আশা পূৰণত শুভ সংযোগ প্ৰাপ্তি।

বৃষ ৰাশি (উ,ব) :- বৃষ ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত আত্মীয় স্বজনৰ পৰা সহায় লাভ কৰিব। কাৰ্য্যত সফলতা অৰ্জন। বিদ্যাৰ্থীৰ নতুন যোগাযোগ লাভ কৰিব।

মিথুন ৰাশি(ক,ছ):- মিথুন ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত শৰীৰ পীড়া। খাদ্য গ্ৰহণত সচেতন হব। ধন খৰচৰ পৰিমাণ বৃদ্ধি।

কৰ্কট ৰাশি(ড,হ) : - কৰ্কট ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত কৰ্মত মনৰ উৎসাহ আত্মবিশ্বাস বৃদ্ধি। আৰ্থিক উন্নতিৰ যোগ দেখা যায়। কাৰ্য্যত দায়িত্ব বৃদ্ধি লগতে প্ৰশংসা বুটলিবলৈ সক্ষম হব।

সিংহ ৰাশিঞ্চ (ম,ট) :- সিংহ ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত আত্মীয় স্বজনৰ পৰা সহায়তা লাভ কৰিব। আৰ্থিক দিশত সামান্য মনোকষ্ট বাঢ়িব পাৰে। শৰীৰৰ আৰোগ্য লাভ যদিও খাদ্য গ্ৰহণত সচেতন হব।

কন্যা ৰাশি (প,ঠ) : - কন্যা ৰাশিৰ জাতক - জাতিকা সকলৰ আজিৰ দিনটোত গৃহ কাৰ্য্যত ব্যস্ততা বৃদ্ধি। পুৰণি সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা বাঢ়িব। কাৰ্য্যত অপমানিত হব পাৰে সতৰ্ক হব।

তুলা ৰাশি (ৰ,ত): তুলা ৰাশিৰ জাতক - জাতিকা সকলৰ আজিৰ দিনটোত ধন খৰচৰ পৰিমাণ বাঢ়িব। স্বাস্থ্যৰ প্ৰতি সচেতন হব। ধন খৰচৰ পৰিমাণ বৃদ্ধি।

বৃশ্চিক ৰাশি (ন,য): - বৃশ্চিক ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত গৃহ উন্নয়নত সুখ প্ৰাপ্তি। কৰ্ম স্থান সলনি হব পাৰে। ভ্ৰমণত সচেতন হব।

ধনু ৰাশি (ধ,ভ): - ধনু ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত আত্মীয় স্বজনৰ শুভ সংযোগ প্ৰাপ্তি। ধন খৰচৰ পৰিমাণ বৃদ্ধি। বিদ্যাৰ্থীৰ শৈক্ষিক দিশত অগ্ৰসৰ।

মকৰ ৰাশি (খ,জ): - মকৰ ৰাশিৰ জাতক জাতিকা সকলৰ আজিৰ দিনটোত কাৰ্য্যত ভয়, মানসিক উদ্বেগ বৃদ্ধি । ধন সম্পদ হানি হব পাৰে। দূৰণিবটীয়া যাত্ৰাত কিছু সচেতন হব।

কুম্ভ ৰাশি(গ,শ,স): - কুম্ভ ৰাশিৰ জাতক - জাতিকা সকলৰ আজিৰ দিনটোত ব্যৱসায় লগতে ধন বিনিয়োগ কাৰ্য্যত সচেতন হব। ভ্ৰমণত সচেতন হব। বন্ধুৰ লগত মনোমালিন্য হব পাৰে।

মীন ৰাশি-(দ, চ) :- মীন ৰাশিৰ জাতক- জাতিকা সকলৰ আজিৰ দিনটোত আৰ্থিক দিশত আনৰ পৰা সহায় লাভ কৰিব। আত্মীয় স্বজনৰ লগত মতভেদ হব পাৰে। গৃহ কাৰ্য্যত ব্যস্ততা বৃদ্ধি।

বি: দ্ৰ: কোষ্ঠী প্ৰস্তুত কৰাৰ লগতে কোষ্ঠী বিচাৰ, মাংগলিক দোষ, কাল সৰ্প দোষ, বিবাহত সমস্যা, আদ্য ঋতু বিচাৰ, নৱজাতকৰ গণণা কৰাৰ লগতে গ্ৰহৰ প্ৰতিকাৰৰ

আঠ পিঠিৰ পৰা—

## কাৰ্গিল বিজয় দিৱস উপলক্ষে...

মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰে। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত দেশৰ বাবে আত্মবলিদান দিয়া বীৰ জোৱানসকলৰ সাহস, ত্যাগ আৰু বীৰত্বক সশ্ৰদ্ধ স্মৰণ কৰাৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচীত স্থানীয় জনসাধাৰণ আৰু অসম ৰাইফলছৰ জোৱানকে ধৰি ১, ৫০০ৰো অধিক লোকে উৎসাহেৰে অংশগ্ৰহণ কৰে। এই 'বিজয় ৰান'ত ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ—এই দুটা শাখা অন্তৰ্ভুক্ত কৰা হৈছিল। অংশগ্ৰহণকাৰীসকলে গৌৰৱ আৰু দেশপ্ৰেমৰ অনুভূতিৰে দৌৰি কাৰ্গিলৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জাতীয় সেৱা, ঐক্য আৰু দেশপ্ৰেমৰ আদৰ্শৰ প্ৰতি নিজৰ অংগীকাৰ পুনৰ দৃঢ় কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰা স্থানীয় লোকসকলে এনে এক অনুপ্ৰেৰণাদায়ক মঞ্চ সৃষ্টি কৰাৰ বাবে অসম ৰাইফলছৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁলোকৰ মতে, এইধৰণৰ কাৰ্যসূচীয়ে নতুন প্ৰজন্মক ত্যাগ, অনুশাসন আৰু দেশপ্ৰেমৰ মূল্যবোধৰ সৈতে সংযুক্ত হৈ থাকিবলৈ উৎসাহিত কৰে। অসম ৰাইফলছে জনায় যে, এনে উদ্যোগৰ জৰিয়তে সামৰিক বাহিনী আৰু অসামৰিক সমাজৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে সমাজৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা, যুৱ প্ৰজন্মক ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত অনুপ্ৰাণিত কৰা আৰু কাৰ্গিল যুদ্ধৰ বীৰ শ্বহীদসকলৰ গৌৰৱময় ঐতিহ্য চিৰস্মৰণীয় কৰি ৰখাৰ প্ৰয়াস অব্যাহত ৰাখিব।

## লেডী কিন কলেজৰ ৯১ সংখ্যক...

কৰি আহিছে। সঞ্চালকগৰাকীয়ে উল্লেখ কৰে যে আজিৰ দ্ৰুতগতিত বিকশিত হোৱা পৃথিৱীখনত ছাত্ৰ-ছাত্ৰীসকলে উদ্ভাৱন, সৃষ্টিশীলতা, সমালোচনাত্মক চিন্তাধাৰা, উদ্যোগীকৰণ, আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উদীয়মান প্ৰযুক্তিসমূহ আকোৱালি লৈ শ্ৰেণীকোঠাৰ শিক্ষণৰ বাহিৰলৈ যাব লাগিব। তেওঁ জোৰ দি কয় যে শৈক্ষিক অৰ্হতাই সুযোগ মুকলি কৰিলেও চৰিত্ৰ, মনোভাৱ, দক্ষতা, সৃষ্টিশীলতা, আৰু আজীৱন শিক্ষণৰ দৰে গুণে শেষত সফলতা নিৰ্ধাৰণ কৰে। অধ্যক্ষ, অধ্যাপক, কৰ্মচাৰী, আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা প্ৰকাশ কৰি সঞ্চালকগৰাকীয়ে পৰীক্ষা পৰিচালনা, শৈক্ষিক সংস্কাৰ ৰূপায়ণ, আৰু বিভিন্ন উচ্চ শিক্ষাৰ পদক্ষেপক সমৰ্থন কৰাত সঞ্চালকালয়ৰ সৈতে তেওঁলোকৰ অবিৰত সহযোগিতাক স্বীকাৰ কৰে। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ আৰামৰ অঞ্চলৰ বাহিৰলৈ ওলাই আহিবলৈ, পিতৃ-মাতৃ আৰু শিক্ষকক সন্মান কৰিবলৈ, পৰিৱেশ সংৰক্ষণ কৰিবলৈ, প্ৰযুক্তিৰ বুদ্ধিমানৰূপে ব্যৱহাৰ কৰিবলৈ, মেঘালয়ৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি গৌৰৱ কৰিবলৈ, আৰু নম্ৰতা, আবেগ আৰু মমতাৰে নেতৃত্ব দিবলৈ উৎসাহিত কৰে। এই উপলক্ষে শিক্ষামন্ত্ৰীয়ে কলেজ আলোচনী, কিনিয়ান জাৰ্নেল অৱ আৰ্টছ, আৰু বাৰ্ষিক ইতিহাস আলোচনী আনুষ্ঠানিকভাৱে মুকলি কৰি প্ৰতিষ্ঠানটোৰ শৈক্ষিক আৰু সাহিত্যিক কৃতিত্বৰ আন এক মাইলৰ খুঁটি চিহ্নিত কৰে। উদযাপনৰ সময়ত মহাবিদ্যালয়খনে মেধাৱী ছাত্ৰ-ছাত্ৰী, অধ্যাপক সদস্য, আৰু বিভিন্ন প্ৰতিষ্ঠানিক সংস্থাসমূহক তেওঁলোকৰ কৃতিত্ব আৰু অৱদানৰ বাবে বঁটা আৰু স্বীকৃতিও প্ৰদান কৰে। গৱেষণা প্ৰকাশন, উচ্চতৰ মাধ্যমিক শাখাৰ মেধাৱী ছাত্ৰ, ছাত্ৰ কোষ, পি ডব্লিউ ডি কোষ, ফেশ্বন ডিজাইন, আৰু সহ-পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্য্যকলাপকে ধৰি শাখাত বঁটা বিতৰণ কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ শৈক্ষিক উৎকৰ্ষ, গৱেষণা, অন্তৰ্ভুক্তি, সৃষ্টিশীলতা, আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ প্ৰতি থকা দায়বদ্ধতাক আলোকপাত কৰা হয়।

# ভোগদৈৰ জলস্তৰ ক্ৰমাৎ হ্ৰাস

## বৰমেৰ-গুৱালগাঁও পথেৰে বাগৰি আছে পানী ঃ বন্যাৰ্তৰ বহুলোক বৰ্তমানো পানীৰ মাজত আৱদ্ধ, চৰকাৰী সহায়-সাহায্যৰপৰা বঞ্চিত, ব্যক্তি-সামাজিক সংগঠনৰ কৰ্মীয়ে নাও ভাড়া কৰি যোগান ধৰিছে খাদ্য-সামগ্ৰী, বস্ত্ৰ

**পশ্চিম যোৰহাটৰ প্ৰতিবেদক,** ২৬ জুলাই ঃ ভোগদৈৰ জলস্তৰ ক্ৰমাৎ হ্ৰাস পাইছে যদিও মথাউৰি ছিগা অংশৰে বৰ্তমানো পানী সোমায়েই আছে। যোৰহাট মালৌপথাৰৰ গুৱাল গাঁও, ১ নং ভূৰাকলা, ২ নং ভূৰাকলা, কৰাইখোৱা, ১১ নং গ্ৰাণ্ট, ওপৰ গৰুমৰা, ১ নং দেউৰী, ২ নং দেউৰী গাঁও, খঙীয়া, টিংটিঙীয়া, ৰান্ধনীজান, গায়ন গাঁও, খুঁটীয়াপোতা, কৈৱৰ্ত গাঁও, ১ নং সোণাৰি, ২ নং সোণাৰি, ডৰিকামাৰী, সোণাৰি গাঁও, ১ নং চকলানী হাবি গাঁও, ২ নং চকলানী হাবি, গৰিয়া চাপৰি, নাম গৰুমৰা, মালৌখাত, ২ নং পহুমৰা, এলেংমৰা, দূৱৰণী পথাৰ, ন-হটীয়া, মজিয়াভেটি, কাঁছমাৰী, ঢেঁকৰগড়া কমাৰ গাঁও, কুহুমযোগনীয়া গাঁৱৰ নামনি অংশ, পুৰণিমাটি সত্ৰ, বৰআহোম কাঠনি গাঁও, মালৌপাম, বৰমেৰ, চাংচোৱা, ৰঙাগড়া খুঁটি, চকলানী পথাৰ, ম'হবন্ধাৰ এৰালতলি পথাৰ, মালৌপথাৰৰ বৰভেটি, গুৱালজান, বৰআহোম ৰঙাগড়া, গেন্ধালী চাপৰি, ৰৌমাৰিত এতিয়াও বহুলোকৰ ঘৰ পানীত ডুবি থকাৰ লগতে পানীৰে আৱৰি থকা ওখ স্থানত বহুলোকে পোহনীয়া জীৱ-জন্তুৰ সৈতে একেলগে বসবাস কৰি আছে। চৰকাৰৰ তৰফৰপৰা পৰ্যাপ্ত সহায়-সাহায্য দিছে যদিও ভিতৰুৱা স্থানত থকা বহু লোক বঞ্চিত হৈছে। উত্তৰ-পশ্চিম যোৰহাটৰ এলেংমৰাৰপৰা পশ্চিমে গেন্ধালী, গৰিয়া চাপৰি, বিলতীয়ালৈকে ব্যক্তিগতভাৱেই হওক নাইবা আনুষ্ঠানিকভাৱেই হওক বহুলোকে খোৱা বস্তু, পানীৰ বটল, মহ নিবাৰণৰ ধূপ, চাবোন, শিশুৰ খাদ্য আদি প্ৰদান কৰিছে। পানীৰে ডুবি থকা এলেকাত দুৰ্গন্ধৰ সৃষ্টি হৈছে যদিও নিবাৰণৰ বাবে ব্যৱস্থা লোৱা নাই। শ'লমৰা ব্লক পি এইছ ই-ৰ চিকিৎসকসহ স্বাস্থ্য কৰ্মীৰ দল উপস্থিত হৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে প্ৰয়োজনীয় ঔষধ প্ৰদান কৰিছে। সাংসদ, মন্ত্ৰী, বিধায়ক প্ৰায়গৰাকীয়েই বন্যাৰ্তসকলৰ সন্মুখত উপস্থিত হৈ বুজ লৈছে। আজি পুৱাও শ'লমৰাত দিলীপ শইকীয়া উপস্থিত হৈ বন্যাৰ্তসকলৰ সৈতে মত বিনিময় কৰিছে। উল্লেখ্য, ভোগদৈত পানী কমিছে যদিও তৰাজান, আঁঠুভগা, ৰৰৈয়া, ধলি আৰু কাকডোঙা বৈ গৈ পানীবোৰ একে স্থান হোৱা গৰুমৰা গণকবাৰী, গায়নবাৰী আৰু ডৰিকামাৰীৰ পাছতে গেলাবিলত পৰা স্থানত জাবৰ, প্লাষ্টিক, আৱৰ্জনাৰ দ'ম বন্ধাৰ বাবেই এই দুৰ্গন্ধৰ সৃষ্টি হৈছে। পানীৰ মাজত এতিয়াও আৱদ্ধ হৈ থকা সকলে হাতনাও লৈ আহি সাহায্য-সামগ্ৰী সংগ্ৰহ কৰাৰ লগতে বহু ব্যক্তি আৰু স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মীয়ে হাতনাও চালকক ভাড়া দি নিৰ্দিষ্ট স্থানে-স্থানে খাদ্য-সামগ্ৰী প্ৰদান কৰিছে। এলেংমৰা দলঙৰ সমীপৰ নামঘৰ, নামদেউৰী উঃ মাঃ বিদ্যালয়, শ'লমৰা মজলীয়া বিদ্যালয়, শ'লমৰা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, গেন্ধালী ৰাস মঞ্চ, প্ৰাথমিক বিদ্যালয় শিবিৰত বহুলোক আশ্ৰয় লৈ থকাৰ লগতে মালৌআলিৰ কাষৰ কুহুমযোগনীয়া গাঁৱৰ পথাৰৰপৰা চেঙেলীআটী চাৰিআলি লৈকে। তাৰপাছত মথাউৰিটোত নেঙেৰটিঙৰ বিলতীয়ালৈকে। তদুপৰি, সৰুচৰাই চেঙেলীআটী পথৰ শ'লমৰা দলঙৰপৰা চেঙেলীআটী চাৰিআলিলৈকে বন্যাৰ্তসকলে পথতে অস্থায়ী ঘৰ সাজি পোহনীয়া জীৱ-জন্তুসহ বসবাস কৰি আছে। শ'লমৰা দলঙৰ সমীপৰপৰা পৰ্বতীয়া মৌজা গাঁও পঞ্চায়ত সমবায় সমিতি কাৰ্যালয়লৈকে পথটোৰ ওপৰেৰে আজিও পানী বাগৰি আছে।

# নাজিৰাৰ নৱ নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইক সহ পৰিয়ালক প্ৰাণে মৰাৰ ভাবুকি

**নতুন স্বদেশ সেৱা, নাজিৰা,** ২৬ জুলাই ঃ দিখৌ নদীৰ বাঢ়নী পানীয়ে সমগ্ৰ নাজিৰা সমজিলাত জলপ্ৰলয়ৰ সৃষ্টি কৰাত জনগণক উদ্ধাৰ অভিযান, খাদ্য সামগ্ৰী, খোৱা পানী যোগান আদি জনসেৱাত ব্ৰতী থকাৰ সময়তে নাজিৰা বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইলৈ আহিছে আন এক জীৱন সংকট। আজি নাজিৰা বালিঘাটস্থ আশ্ৰয় কাৰ্যালয় কক্ষত এখনি সংবাদমেল সম্বোধন কৰি কয়, যোৱা কালি ৮৬৩৮৮৬৫৮১০ নম্বৰৰ পৰা অহা ফোনত বাৰ্তালাপ কৰোঁতে ফোনত বিধায়ক ময়ূৰ বৰগোহাঁইক নানা অসংযত ভাষাৰে গালি পাৰে আৰু বিধায়ক ময়ূৰ বৰগোহাঁইৰ লগতে তেখেতৰ পৰিয়ালৰ সকলো সদস্যক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰে। বিধায়ক ময়ূৰ বৰগোহাঁয়ে লগে লগে আৰক্ষী প্ৰশাসনক অৱগত কৰে আৰু উক্ত নম্বৰটো নগাঁও চামগুৰিৰ আনন্দ দাধৰা নামৰ ব্যক্তিজনৰ বুলি নিশ্চিত কৰে। আৰক্ষী প্ৰশাসনে ইতিমধ্যে ঘটনা সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিছে বুলি সংবাদ মেলত ব্যক্ত কৰে বিধায়ক ময়ূৰ বৰগোহাঁয়ে। সংবাদমেলত বিধায়ক ময়ূৰ বৰগোহাঁয়ে লগতে কয়, সাম্প্ৰতিক বান বিভীষিকাৰ সময়ত অসম চৰকাৰৰ তৰফৰ পৰা নাজিৰা সমষ্টিৰ বানাক্ৰান্ত ৰাইজক সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰয়োজন। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ৰাজনৈতিক মেলা - ভেদ পৰিহাৰ কৰি কংগ্ৰেছ, বি দে পি, চি পি আই আদি সকলো ৰাজনৈতিক দলৰ লগতে জাতি - জনগোষ্ঠীয় সংগঠন সমূহেও বন্যাৰ্তৰ কাষত থিয় দি বান পীড়িত জনগণক উদ্ধাৰ আৰু পৰ্যাপ্ত সহায়ৰ হাত আগবঢ়োৱাৰ আহ্বান জনাই বিধায়ক ময়ূৰ বৰগোহাঁয়ে লগতে কয়, সমষ্টিটোৰ বিভিন্ন স্থানত থকা বানাক্ৰান্ত ৰাইজৰ ওচৰলৈ গৈ বৰ্তমানেও দুখ - দুৰ্দশাৰ বুজ লৈ সহায় কৰিব পৰা নাই। যিহেতু বহু পৰিয়ালৰ লোক এতিয়াও বাঢ়নী পানীৰ মাজেতেই আছে আৰু সেই সকলক উদ্ধাৰ কৰিবৰ বাবে প্ৰশাসনৰ তৰফৰ পৰাও চেষ্টা অব্যাহত আছে। পৰ্যাপ্ত খাদ্য সামগ্ৰী, খোৱা পানী, ঔষধ আদি যোগান চৰকাৰী ভাৱে যোগান ধৰিছে যদিও সকলো জনসাধাৰণক যোগান ধৰিব নোৱাৰি দুখ প্ৰকাশ কৰি বিধায়ক ময়ূৰ বৰগোহাঁয়ে কয়, চৰকাৰৰ লগতে অসমৰ বিভিন্ন সমষ্টিৰ বিধায়ক, মন্ত্ৰী সকলেও নাজিৰা সমষ্টিৰ বানাক্ৰান্ত ৰাইজৰ বাবে সহায়ৰ হাত আগবঢ়াইছে। সংবাদমেলত উপস্থিত থাকি বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই নাজিৰা সমষ্টিত সৃষ্টি হোৱা প্ৰলয়ংকাৰী বানৰ অবৰ্ণনীয় পৰিস্থিতিত বানাক্ৰান্ত ৰাইজক সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে বহু খাদ্য সামগ্ৰী, বস্ত্ৰ, খোৱা পানী আদি বৰক্ষেত্ৰী সমষ্টিৰ পৰা আনি যোগান ধৰাৰ বিষয়ে ব্যক্ত কৰে। সংবাদমেলত সমষ্টিৰ বি জে পি দলৰ কেইবাজনো কাৰ্যকৰ্তা উপস্থিত থাকে।

# বানাক্ৰান্ত অঞ্চলত ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটে স্বাস্থ্য সেৱা অব্যাহত

## দিন ৰাতি একাকাৰ কৰি নিজৰ সেৱা আগবঢ়োৱাত ব্যস্ত শিৱসাগৰৰ স্বাস্থ্য বিভাগ

**নতুন স্বদেশ সেৱা, জয়সাগৰ,** ২৬ জুলাই ঃ প্লাৱিত শিৱসাগৰত ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোট এ বানাক্ৰান্ত অঞ্চল সমূহত স্বাস্থ্য সেৱা আগবঢ়াই আহিছে। জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিব দিয়া মতে দুখন ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোট ৰ চিকিৎসক, বিষয়া আৰু কৰ্ম্মচাৰী ৰ ঘৰ ও বানৰ কৱলত থকা কাৰণে তেওঁলোকে ৰাইজৰ বাবে সেৱা আগবঢ়াব পৰা নাই যদিও যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতা ৰ তৎপৰতাত আটাইকেইখন ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোট এ ৰাইজৰ বাবে সেৱা আগবঢ়াব পৰিছে। যোৱা কালি আৰু আজি অৰ্থাৎ ২৩ -০৭ -২০২৬ আৰু ২৪ -০৭ -২০২৬ তাৰিখে শিৱসাগৰ জিলাৰ বানক্ৰান্ত অঞ্চল সমূহত মুঠ ৬টা মোবাইল মেডিকেল ইউনিট এ বানাক্ৰান্ত লোকৰ বাবে চিকিৎসা শিৱিৰ অনুষ্ঠিত কৰি অক্লান্ত সেৱা অব্যাহত ৰাখিছে। সেৱা আগবঢ়োৱা স্থানসমূহ হৈছে খেলোৱাৰ বান প্লাৱিত অঞ্চল, চন্তক, বিহুবৰ, মেকিপুৰ, বেটবাৰী, দিচাং, শুকানপুখুৰী হাইস্কুল, পুঞ্জন চাৰিআলি, দেউলিয়াখাট, বিষ্ণু নগৰ আৰু ৰাজীৱ গান্ধী প্ৰযুক্তি প্ৰতিষ্ঠান। এই ছয়টা এমএমইউৰ ভিতৰত দুটা এমএমইউ গোৱালঘাটৰ পৰা প্ৰেৰণ কৰা হৈছিল।

# বানপীড়িত ৰাইজক মইও সহায় কৰিছোঁ, মই কামবোৰ নীৰৱে কৰোঁ ঃ পীযুষ হাজৰিকা

**নতুন স্বদেশ সেৱা, সীতাজখলা,** ২৬ জুলাই ঃ সীতাজখলা পৰিয়ালৰ মানৱীয় প্ৰচেষ্টাত উজনি অসমৰ বানাক্ৰান্তলৈ সাহায্য সামগ্ৰী কঢ়িয়াই যাত্ৰা আৰম্ভ প্ৰকৃতিৰ তাণ্ডৱ লীলা আৰু বানপানীৰ বিভীষিকাত জৰ্জড়িত উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ কাষত থিয় দিছে জনপ্ৰিয় ব্ৰেণ্ড 'সীতাজখলা'। সীতাজখলা পৰিয়ালৰ যৌথ প্ৰয়াস আৰু আন্তৰিক সহযোগিতাত উজনিৰ বানপীড়িতসকলৰ বাবে সাহায্য সামগ্ৰী কঢ়িয়াই আজি আনুষ্ঠানিকভাৱে যাত্ৰা আৰম্ভ কৰা হয়। মানৱতাৰ এই মহৎ প্ৰয়াসক উৎসাহ যোগাবলৈ অনুষ্ঠানটিত উপস্থিত থাকে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পিযুষ হাজৰীকা। তেওঁৰ লগতে সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা আৰু বহুকেইগৰাকী বিশিষ্ট গণ্যমান্য ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকি বানাক্ৰান্তৰ প্ৰতি সংহতি প্ৰকাশ কৰে। বিপদগ্ৰস্ত মানুহৰ দুৰ্যোগৰ দিনত সহমৰ্মিতাৰ হাত আগবঢ়োৱাতকৈ ডাঙৰ ধৰ্ম একো নাই। বানপ্লাবিত উজনি অসমৰ দুৰ্ভগীয়া বানাক্ৰান্ত ৰাইজৰ দুখ-দুখনি লাঘৱ কৰাৰ এক মহান উদ্দেশ্য লৈ সীতাজখলাৰ পৰা আজিপুৱা এক মানৱীয় যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। পৰিয়ালবৰ্গৰ সমূহীয়া অৰিহণা আৰু আন্তৰিক সহযোগিতাত সংগ্ৰহ কৰা সাহায্য সামগ্ৰীসমূহ লৈ এই সাহায্য বাহনখনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ বানপীড়িত অঞ্চলসমূহৰ অভিমুখে গতি কৰে। মানৱীয়তাৰ এই অনুপম যাত্ৰাৰ শুভাৰম্ভণি অনুষ্ঠানটি অধিক গাম্ভীৰ্যপূৰ্ণ আৰু সফল কৰি



তুলিবলৈ উপস্থিত থাকে জাগীৰোডৰ জনপ্ৰিয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী শ্ৰীযুত পিযুষ হাজৰীকা। তেওঁ নিজে উপস্থিত থাকি এই সাহায্য যাত্ৰাৰ শুভাৰম্ভ কৰে আৰু পৰিয়াল তথা স্থানীয় লোকসকলৰ এই মহৎ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীৰ এই আদৰণীয় উপস্থিতিয়ে সমগ্ৰ অনুষ্ঠানটোক এক বিশেষ মাত্ৰা প্ৰদান কৰাৰ লগতে উপস্থিত ৰাইজৰ মনোবল বহুগুণে বৃদ্ধি কৰে। প্ৰকৃতিৰ তাণ্ডৱ লীলাত সৰ্বস্ব হেৰুৱাই দিশহাৰা হৈ পৰা উজনিৰ বানাক্ৰান্ত ভাই-ভনীসকলৰ কাষত থিয় দিয়াৰ এই প্ৰয়াস সঁচাকৈয়ে সমাজৰ বাবে এক অনুপ্ৰাণিত কৰা উদাহৰণ। সীতাজখলাৰ এই সমূহীয়া প্ৰচেষ্টাই মানৱতাৰ জয়গান গোৱাৰ লগতে দুৰ্যোগৰ বেলি একেটি পৰিয়াল হৈ সমাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

# পাঠশালাত সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদৰ ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**পাঠশালা,২৫ জুলাই ঃ** বজালী পাঠশালাত জিলাৰ আজি সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদৰ অসম ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। পাঠশালা সাহিত্য সভা ভৱনত অনুষ্ঠিত সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পৰিষদৰ বিষয়বীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। সভাত পঞ্চায়তীৰাজ ব্যৱস্থাক অধিক শক্তিশালী কৰা, গ্ৰাম্যসভাৰ ভূমিকা সুদৃঢ় কৰা, স্থানীয় স্ব-শাসন ব্যৱস্থাৰ উন্নয়ন, গ্ৰাম্য উন্নয়নমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ আৰু পঞ্চায়তসমূহক অধিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বিভিন্ন দিশত বিস্তৃত আলোচনা কৰা হয়। সভাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল উদ্দেশ্য সফল কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে পঞ্চায়ত প্ৰতিনিধিসকলক অধিক দায়িত্বশীলভাৱে কাম কৰাৰ আহ্বান জনোৱা হয়। উল্লেখ্য যে সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদ ১৯৫৮ চনত প্ৰতিষ্ঠা লাভ কৰা এটা ৰাষ্ট্ৰীয় সংগঠন। মহাত্মা গান্ধী আৰু বলৱণত ৰায় মেহতাৰ আদৰ্শেৰে অনুপ্ৰাণিত এই সংগঠনে 'স্বাভিমানী গ্ৰাম্যসভা, আত্মনিৰ্ভৰ পঞ্চায়ত' শ্ল'গানক সন্মুখত ৰাখি দেশজুৰি পঞ্চায়ত ব্যৱস্থাক শক্তিশালীকৰণৰ বাবে কাম কৰি আহিছে। আজিৰ সভাত ৰাষ্ট্ৰীয় সভাপতি বাল্মীকি প্ৰসাদ সিং, ৰাষ্ট্ৰীয় সম্পাদক আৰিফ আলী, অসম ৰাজ্যিকৰ সভাপতি অৰূপ বৰ্মণ, সম্পাদক কুশল ৰয়, চেক্ৰেটাৰী: গীতু কলিতা, উপ-সভাপতি: কে. উজিৰ, চন্দন ৰয়, সাধাৰণ সম্পাদক: ভাস্কৰ বৰ্মন, ধ্ৰুৱ শৰ্মা, কুশল ৰয় আদিকৰি ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকিব। উপস্থিত থাকে।

### দৰং গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদৰ পদক্ষেপ

# জুবিন গাৰ্গক মৰণোত্তৰভাৱে ছহিদ মোজাম্মিল স্মাৰক মাতৃভাষা বঁটা আৰু জাতীয় কণ্ঠ উপাধি প্ৰদান

## গুৱাহাটীস্থিত অভিনয়া, জোনালী ষ্টুডিঅ'ত গৰিমা শইকীয়া গাৰ্গৰ হাতত বঁটা অৰ্পণ



**নতুন স্বদেশ সেৱা, মঙলদৈ,** ২৫ জুলাই ঃ অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণৰ আপোন শিল্পী, সঙ্গীত সুধাকৰ জুবিন গাৰ্গলৈ অষ্টাদশ কেন্দ্ৰীয় মাতৃভাষা দিৱস উদযাপনৰ লগত সংগতি ৰাখি সদৌ অসম গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদ দৰং জিলা সমিতি আৰু মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ উদ্যোগত প্ৰৱৰ্তন কৰা ছহিদ মোজাম্মিল হক স্মাৰক মাতৃভাষা বঁটা-২০২৫ আৰু জাতীয় কণ্ঠ উপাধি আগবঢ়োৱা হয়। আজি জুবিন গাৰ্গৰ গুৱাহাটীৰ জু ৰোড স্থিত অভিনয়া জোনালী ষ্টুডিঅ'ত গৰিমা শইকীয়া গাৰ্গৰ হাতত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সদৌ অসম গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদে এই বঁটা আৰু সন্মান প্ৰদান কৰে। আজি সদৌ অসম গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা তথা মাতৃভাষা পৰিচালনা সমিতিৰ সভাপতি ডঃ চহিৰ ভূঞা, কেন্দ্ৰীয় উপ-সভাপতি ছহিদ আলি আহমেদ, মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ সম্পাদক মিছবাহুল হুদা, দৰং জিলা সমিতিৰ সভাপতি বাবুল মকছেদ আহমেদ, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ উপসভাপতিত্ৰয় মইনুল হক শইকীয়া, ছফিকুল ইছলাম, মোৰ্তাজা হুছেইন, সাংস্কৃতিক সম্পাদক আব্দুল ৰৌফ আহমেদ, মঙলদৈ সদৰ সমিতিৰ সভাপতি ফজলুল হক, সদৰ মহিলা পৰিষদৰ সম্পাদিকা গোলাপ চান বেগম, মহিলা পৰিষদৰ বিষয়ববীয়া চালেহা বেগম, ছবিনা ইয়াচমিন বচিৰণ খাতুন, সমাজকৰ্মী মহৰুম আলি, বিনয় শৰ্মা, জিলা সমিতিৰ প্ৰেছ উপদেষ্টা ৰফিক আহমেদ, জিলা সংবাদ কোষৰ সভাপতি মীৰ চাহিল ইৰফান, সম্পাদক গিয়াচুদ্দিন আহমেদ, প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক আটাউৰ ৰহমান, চপাই আঞ্চলিক সমিতিৰ সভাপতি জয়নাল আব্দিন, সম্পাদক ইফটিকাৰ হুছেইন কিব্ৰিয়া, যুৱ সমাজ কৰ্মী মোৰ্তাজা হুছেইন, নগৰবাহী আঞ্চলিকৰ সম্পাদক ফাইজুৰ ৰহমান, চমুৱাপাৰা আঞ্চলিকৰ সভাপতি মকবুল হক শৰ্মা, সদৰ সমিতিৰ মতিউৰ ৰহমান, জলজলী গৰিয়াপাৰা আঞ্চলিকৰ সম্পাদক জিতু আহমেদ, গুৱাহাটী মহানগৰ সমিতিৰ উপ-সভাপতিদ্বয় মইনুল হক, মেহমুদা নুৰী প্ৰমুখ্যে এটা বৃহৎ সজাতি দলে জুবিন গাৰ্গৰ পৰিয়ালৰ আমন্ত্ৰণ ক্ৰমে মহান শিল্পী গৰাকীৰ গুৱাহাটীস্থিত অভিনয়া জোনালী ষ্টুডিঅ'ত এইবঁটা আৰু জাতীয় কণ্ঠ উপাধি প্ৰদান কৰে। উল্লেখ্য যে সদৌ অসম গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিয়ে ২০০৮ বৰ্ষৰ পৰা ছহিদ মোজাম্মিল হকৰ আত্মবলিদানৰ দিন ৬ অক্টোবৰত আৰম্ভ কৰা মাতৃভাষা ভাষা দিৱসৰ ২০২৩ বৰ্ষৰ শোড়ষ উদযাপনত বীৰ ছহিদ গৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে তেওঁৰ স্মৃতিত মাতৃভাষা বঁটা-প্ৰৱৰ্তন কৰে আৰু প্ৰথম বাৰৰ বাবে এই বঁটা পণ্ডিত প্ৰৱৰ ডঃ নগেন শইকীয়াক প্ৰদান কৰে। দ্বিতীয়বাৰৰ বাবে ২০২৪ বৰ্ষত এই বটা প্ৰদান কৰা হয় কথাশিল্পী ইমৰান শ্বাহক। তৃত্বীয় বাৰত ২০২৫ বৰ্ষৰ অষ্টাদশ মাতৃভাষা দিৱসত এই বঁটা অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে প্ৰদান কৰিবলৈ সিদ্ধান্ত লয়। সেইমৰ্মে আজি পৰিয়ালৰ আমন্ত্ৰণ ক্ৰমে গৰিমা শইকীয়া গাৰ্গৰ হাতত অৰ্পণ কৰা এই বঁটাত আছে স্মাৰক বঁটা, চেলেং, জাতীয় গামোচা, ফুলাম জাপি, প্ৰশস্তি পত্ৰ, শৰাই আৰু আৰু অন্যান্য উপহাৰ।

# সম্পাদকীয়

নতুন স্বদেশ, ২৭ জুলাই, ২০২৬

## অসমৰ বান সমস্যাৰ সমাধান ক'ত?

(১ পৃষ্ঠাৰ পৰা)আৰু নদীৰ তলি পলসেৰে ওখ হৈ যোৱা। সেয়ে সমাধান এটাই নহয়, কেইবাটাও একেলগে কৰিব লাগিব। উদাহৰণস্বৰূপে দীৰ্ঘম্যাদী বৈজ্ঞানিক উপায়। ইয়াৰ অধীনত উজনিত বনানীকৰণ- পুৰণি কালৰে পৰা চলি অহা মূল উপায়টোৱেই হৈছে উজনি অঞ্চলত গছ-গছনি বড়োৱা, যাতে মাটিৰ খহনীয়া কমে আৰু পানীৰ সোঁত লাহে লাহে নামে। খ) জলাধাৰ আৰু বান্ধ: অকল পানী ৰখোৱাৰ বাবে নহয়, বান নিয়ন্ত্ৰণ, জলসিঞ্চন আৰু জলবিদ্যুৎ একেলগে হোৱাকৈ ব্ৰহ্মপুত্ৰৰ উপনৈবোৰত সৰু সৰু জলাধাৰ বনাব লাগিব বুলি বিশেষজ্ঞসকলে কয়। অসমত স্থায়ীভাৱে বান নিয়ন্ত্ৰণ কৰিবলৈ হলে প্ৰধানকৈ নদীসমূহ নিয়ন্ত্ৰণ কৰিব লাগিব বুলি কোৱা হয়। প্ৰাকৃতিক জলাশয় ঘূৰাই অনা: গুৱাহাটীৰ দৰে চহৰত বানৰ ডাঙৰ কাৰণ হৈছে বিল, পুখুৰী পোত খোৱা। দীপৰ বিল, সৰুসজাই বিলৰ দৰে জলাশয়বোৰক পানী ধৰি ৰখাৰ টেংক হিচাপে ব্যৱহাৰ কৰিব লাগে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ বানৰ বিৰূপ প্ৰভাৱ কমাবলৈ ৩, ৬৩৪ কোটি টকাৰ বহুমুখী ৰণনীতি লৈছে। ইয়াৰ ভিতৰত আছে: মথাউৰি আৰু বান প্ৰতিৰোধী দেৱাল মেৰামতি আৰু শক্তিশালীকৰণ, চুইচ গেটৰে পানী নিষ্কাষণ, জিঅ' বেগৰ ব্যৱহাৰ, জমা পানী উলিয়াই দিয়াৰ দৰে উদ্ভাৱনীমূলক ব্যৱস্থা, ASTEC আৰু, ISRO ৰ সহযোগত প্ৰকৃত সময়ৰ বান মেপিং - উপগ্ৰহৰ পৰা কোনখন গাঁও ডুবিছে তাৰ লাইভ তথ্য সংগ্ৰহ কৰা হয় । আমি ব্যক্তিগত আৰু সামাজিক হিচাপেও কিছু কাম কৰিব পাৰোঁ। চহৰত থকা মানুহৰ বাবে (গুৱাহাটীৰ বাবে বিশেষকৈ) নলা-নৰ্দমা বন্ধ নকৰা - প্লাষ্টিক, নিৰ্মাণৰ আৱৰ্জনা নলাত নেপেলোৱা, ঘৰৰ চৌহদত পানী সৰকিব পৰা ব্যৱস্থা ৰখা, সম্পূৰ্ণ কংক্ৰিটেৰে বন্ধ নকৰা, - বাৰিষাৰ পানী ধৰি ৰাখিলে ভূগৰ্ভৰ পানীৰ স্তৰো বাঢ়ে, নলাৰ চাপো কমে । গাঁৱত থকা মানুহে পৰম্পৰাগত চাংঘৰ পুনৰ জনপ্ৰিয় কৰা - বানপ্ৰৱণ অঞ্চলত মাটিৰ ঘৰতকৈ ওখ খুঁটাৰ ঘৰ বেছি সুৰক্ষিত বান সহনশীল খেতি - যেনে বাও ধান, যি বাঢ়ি অহা পানীৰ লগত একেলগে ওখ হয় । আগতীয়া সতৰ্কবাৰ্তা ব্যৱস্থা - ASDMA ৰ 'SACHET' এপটো ফোনত ৰাখা, তাত ৰিয়েল টাইমত বানৰ সতৰ্কবাণী আহে। বানক শত্ৰু বুলি ভবাতকৈ অসমীয়া সংস্কৃতিত ইয়াক এটা ঋতু বুলিও ধৰা হয়। গতিকে উদ্দেশ্য "বান ৰোধ" নহয়, "বানৰ লগত জীয়াই থকাৰ কৌশল" হ'ব লাগে। ।

# অসমত প্ৰাথমিক শিক্ষাত পৰীক্ষা-নিৰীক্ষা সমস্যা, তথ্য আৰু বাস্তৱৰ বিপৰীত ছৱি

**দিলীপ কুমাৰ ৰয়**

চীনা পৰিব্ৰাজক হিউৱেন চাং কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত অসমলৈ আহি অসমৰ শিক্ষা ব্যৱস্থাৰ ওপৰত এক সুন্দৰ টোকা লিখি থৈ গৈছিল। সেই অনুসৰি প্ৰাচীন অসমৰ শিক্ষা আছিল ঘাইকৈ গুৰুকুলকেন্দ্ৰীক। পাঠ্যক্ৰম আছিল বেদ-বেদাংগ, স্মৃতি আৰু আন ধৰ্মীয় শাস্ত্ৰবোৰ। শিকন সঁজুলি আছিল ঘাইকৈ সাঁচিপাত। তাৰো আগতে শিক্ষা ব্যৱস্থা মুখে-মুখে ( Verbal ) চলি আছিল। ১২২৮ খ্ৰীঃত চুকাফাৰ আগমনৰ পিছত আনুষ্ঠানিক শিক্ষা ব্যৱস্থা আছিল আৰু গুৰুকুলকেন্দ্ৰীক শিক্ষা ব্যৱস্থাৰ ঠাইত শিক্ষাৰ ঘাই কেন্দ্ৰ হৈ পৰিছিল পাঠশালা, টোল, মুক্তাৱ আৰু সত্ৰবোৰ। বৰৰাণী ফুলেশ্বৰীয়ে তেওঁৰ ৰাজত্ব কালত (১৭২২-- ১৭৩১ ) পাঠশালাবোৰক "ফলি লোৱা ঘৰ" বুলি নামকৰণ কৰিছিল। ( ডঃ দিলীপ কুমাৰ দত্ত -- "ফলি লোৱা বুৰঞ্জী।" ) ১৮২৬ চনত বৃটিছ বিষয়া ডেভিদ স্কটে অসমত পুনৰ গুৰুকুল পদ্ধতিত শিক্ষাৰ প্ৰসাৰৰ বাবে গুৰুত্ব প্ৰদান কৰি গুৱাহাটী, নীলাচল, ন-দুৱাৰ, পাতিদৰং, হাজো, বজালী, চিলা, বিশ্বনাথ, গাৰো পাহাৰ আৰু মঙলদৈত মুঠ ১১ খন গুৰুলকেন্দ্ৰীক পাঠশালা স্থাপন কৰিলে। ১৮৩২ চনত ব্যাপ্তিষ্ট মিচনেৰীসকলে ফলি লোৱা ঘৰবোৰক বিদ্যালয় বুলি নামকৰণ কৰিলে। ( ডঃ দেবব্ৰত শৰ্মাৰ ৰবীন্দ্ৰ নাথ বিশ্ববিদ্যালয়ত দিয়া ভাষণত উল্লেখ আছে ) গুৱাহাটীৰ পাঠশালাখনৰ নাম গুৱাহাটী বিদ্যালয় কৰি বিদ্যালয় নামৰ আৰম্ভণি কৰিলে। ১৮৭৩ চনত অসমত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হোৱাত ১৮৮২ চনত হাণ্টাৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিত প্ৰাথমিক শিক্ষাৰ দায়িত্ব দিয়া হ'ল লোকেল ব'ডি ৰ ওপৰত। হাণ্টাৰ আয়োগৰ মুখ্য উদ্দেশ্য আছিল দেশৰ প্ৰাথমিক শিক্ষা জনপ্ৰিয় কৰি তোলা আৰু ইয়াৰ এক প্ৰশাসনিক গাঁথনি প্ৰস্তুত কৰা। ইয়াৰ ফলশ্ৰুতিত ১৮৭১ চনত অসমত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ২০৪ খনৰ পৰা ১৮৮২-৮৩ চনত ১৩৫১ খনলৈ বৃদ্ধি পালে। ১৮৯৯ চনত লৰ্ড কাৰ্জনে ভাইচৰয়ৰ দ্বায়িত্ব গ্ৰহণ কৰিয়ে জানিব পাৰিছিল যে প্ৰাথমিক শিক্ষাৰ গতি মন্থৰ হোৱাৰ প্ৰধান কাৰণ হৈছে চৰকাৰে দিয়া আৰ্থিক সাহায্য যথেষ্ট নোহোৱাটো। সেইবাবে তেওঁ শিক্ষাৰ স্থানীয় কৰ্তৃপক্ষবোৰক অধিক পৰিমাণৰ পৌনঃপৌনিক মঞ্জুৰি দিবলৈ ৰাজ্যিক চৰকাৰবোৰক নিৰ্দেশ দিয়ে। ১৯১১-১২ চনত ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জে ভাৰত ভ্ৰমণ কৰিবলৈ আহোঁতে নিম্ন প্ৰাথমিক স্কুলৰ দ্ৰুত বিকাশত অধিক গুৰুত্ব দি ইয়াত লিখা-পঢ়া, অংক কৰাৰ উপৰিও চিত্ৰাংকণ, মেপ অংকন, প্ৰকৃতি পাঠ আৰু শৰীৰ চৰ্চা আদি বিষয় শিকিব লাগে বুলি নিৰ্দেশ দিলে।

গোপাল কৃষ্ণ গোখলে ইম্পিৰিয়েল লেজিচলেটিভ কাউঞ্চিলৰ এজন বেচৰকাৰী সদস্য হৈ ১৯১০ চনৰ ১৯ মাৰ্চত লেজিচলেটিভ কাউঞ্চিলত উত্থাপন কৰা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ মৰ্মে ১৯২৬ চনত "বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন " Assam Primary Education Act, 1926 অসমত গৃহীত হয়। এই আইন অনুসৰি - ১) ৬ বছৰৰ পৰা ৰৰ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীৰ শিক্ষা বাধ্যতামূলক কৰা হ'ব। ২) স্থানীয়শিক্ষা-কমিটিয়ে স্কুলৰ ছাত্ৰ সংখ্যা, আহিলা-পাতি, স্কুলঘৰ নিৰ্মাণ আৰু শিক্ষক নিযুক্তি আদিৰ দায়িত্ব গ্ৰহণ কৰিব।

চৰকাৰৰ এনে উদাৰ নীতিৰ পিছতো কিন্তু প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ উন্নতি নোহোৱাত ১৯৩০ চনত সকলো শিক্ষা কেন্দ্ৰক প্ৰাথমিক বিদ্যালয় হিচাপে গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু দেখা গ'ল যে ১৯৩৬ চনলৈ ১৬২খন টোল আৰু ১২০খন মাদ্ৰাছা চলিয়েই থাকিল। প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰাৰ বাবে যিবোৰ আইন কৰিলে সেই সকলোবোৰ অসাৰ প্ৰতিপন্ন হ'ল। ইয়াৰ পিছত আমেৰিকাৰ ব্যাপ্তিষ্ট মিচনেৰী ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু অলিভাৰ কাট্টাৰে প্ৰথমে শিৱসাগৰ অঞ্চলত ১৪খন বিদ্যালয় স্থাপন কৰিলে। তাৰপিছত গুৱাহাটীকে ধৰি বিভিন্ন ঠাইত বিদ্যালয় স্থাপন কৰিলে। ১৯৩৭ চনত সৰ্বভাৰতীয় শিক্ষা সন্মিলনত সৰ্বভাৰতীয় ভিত্তিত বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা সাত বছৰৰ বাবে প্ৰদান কৰাৰ প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱ অনুসৰি শিক্ষাদানৰ মাধ্যম মাতৃভাষা কৰা হয় আৰু বুনিয়াদী শিক্ষা দেশৰ জাতীয় শিক্ষা স্বৰূপে গ্ৰহণ কৰা হয়। ১৯৪৭ চনত ভাৰতৰ স্বাধীন চৰকাৰে বুনিয়াদী শিক্ষা দেশৰ জাতীয় শিক্ষা পদ্ধতি স্বৰূপে গ্ৰহণ কৰি সকলো প্ৰাথমিক স্কুল বুনিয়াদী স্কুললৈ ৰূপান্তৰ কৰাৰ প্ৰচেষ্টা চলে।

১৯৫১ চনৰ লোকপিয়লৰ মতে দেশৰ সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ১৯.৭৪ শতাংশ। ইয়াৰ ভিতৰত পুৰুষৰ শিক্ষিতৰ হাৰ ২৯ শতাংশ আৰু মহিলাৰ হাৰ ১২.৮২শতাংশ মাথোঁন। নিৰক্ষৰতাৰ ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সংবিধানৰ অনুচ্ছেদ নং ৪৫ অনুসৰি ভাৰতৰ হোৱাৰ দহ বছৰ সময়ৰ ভিতৰত(১৯৫১-১৯৬০ চন)সকলোবোৰ ল'ৰা-ছোৱালীকে ১৪ বছৰ বয়স সম্পূৰ্ণ নোহোৱালৈকে ৰাজ্য চৰকাৰবোৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। অনুচ্ছেদ নং ২৮-ৰ যোগে দেশৰ শিক্ষাত ধৰ্মনিৰপেক্ষতা নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কোৱা হয় যে ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত কোনো শিক্ষানুষ্ঠানতে ধৰ্মীয় শিক্ষা দিয়া নহ'ব। ১৯৫৪ চনত গান্ধীজীৰ বুনিয়াদী শিক্ষা ব্যৱস্থা অনুসৰি অসম বুনিয়াদী শিক্ষা আইন [ The Assam Basic Education Act, 1954 ] গঠন হয়। ইয়াৰ পিছত ১৯৬২ চনত অসম প্ৰাথমিক শিক্ষা আইন ( The Assam Elementary Education Act, 1962 ) গ্ৰগণ কৰা হয়। ইয়াৰ যোগেদি পূৰ্বৰ সকলো বুনিয়াদী আৰু অবুনিয়াদী স্কুলকেই প্ৰাথমিক স্কুল স্বৰূপে স্বীকৃতি দিয়া হয়। এই আইন মতে অষ্টম শ্ৰেণীলৈ প্ৰাথমিক শিক্ষাৰ আওতালৈ অনা হ'ল। ১৯৭৭ চনত The Assam Elementary Education [ Provincialisation] Rules, 1977 গৃহীত হ'ল। এই আইন অনুসৰি প্ৰতি ১.১ কিঃমিঃ এলেকাত প্ৰতি বাসপযোগী গাঁৱত এখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰা হ'ল। ৰাজীৱ গান্ধীৰ নেতৃত্বত ১৯৮৫ চনত গঠিত নতুন শিক্ষা নীতি অনুসৰি 'অপাৰেচন ব্লেকব'ৰ্ড' আঁচনিৰ ব্যৱস্থা কৰা হ'ল। এই আঁচনি অনুসৰি ক ) স্কুলৰ দুটা ডাঙৰ কোঠা, যাক বছৰৰ সকলো বতৰতে ব্যৱহাৰ কৰিব পাৰি। খ ) শ্ৰেণীকোঠাৰ সহায়ক শিক্ষা সঁজুলি, যেনে- মেপ, চাৰ্ট, গ্লোব, ব্লেকব'ৰ্ড, চক আদি। গ ) খেলা-ধূলাৰ প্ৰয়োজনীয় সঁজুলি, যেনে- পুতলা, বল আদি ঘ ) পুথিভঁৰালৰ কিতাপ, যেনে- পাঠ্যপুথি, সহায়ক পুথি, অভিধান, বিশ্বকোষ, শিশু-গ্ৰন্থ, আলোচনী, বাতৰি কাকত আদি। ঙ ) স্কুলৰ ঘণ্টা, সংগীতৰ সঁজুলি, যেনে- ঢোলক, তবলা, হাৰমনিয়াম আদি। চ ) স্কুলত পানী যোগান আৰু শৌচাগাৰৰ সুবিধা। আদিৰ ব্যৱস্থা ৰখা হ'ল। ১৯৯৩ চনত কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিকাশ সাধন মন্ত্ৰালয়ে প্ৰাথমিক শিক্ষাৰ বাবে সংবিধানৰ ৪৫ নং অনুচ্ছেদ অনুসৰি জিলা প্ৰাথমিক শিক্ষা আঁচনি বা DPEP 1994 চনত গ্ৰহণ কৰে। অসমত ১৯৯৪ চনৰপৰা গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, বৰপেটা, দৰং, শোণিতপুৰ, মৰিগাঁও আৰু কাৰ্বি আংলং জিলাত প্ৰাথমিক শিক্ষা আঁচনি প্ৰৱৰ্তন কৰা হৈছিল।

একৈশ শতিকাৰ আৰম্ভণিতে প্ৰাথমিক শিক্ষাব্যৱস্থাত লোৱা সৰ্ববৃহৎ আঁচনি হৈছে সৰ্বশিক্ষা অভিযান [SSA ]। এই আঁচনিৰ মূল বৈশিষ্ট্য আছিল -- ক ) এই শিক্ষা আঁচনি ২০১০ চনৰ ভিতৰত সম্পূৰ্ণ কৰি সমাজৰ সকলো সম্প্ৰদায়ৰ লোককে ক্ৰিয়া জড়িত কৰা, ছবছৰৰ পৰা ৰৰ বছৰলৈ সকলো শিশুকেঈ বিদ্যালয় অথবা বিকল্প বিদ্যালয়ৰ জৰিয়তে বাধ্যতামূলকভাৱে ন্যুনতম শিক্ষা প্ৰদান কৰা, ৬ -- ১৪ বছৰলৈ অৰ্থাৎ অষ্টম শ্ৰেণীলৈ সকলোৰে বাবে শিক্ষা সম্পূৰ্ণ কৰা। ২০০৯ চনত গ্ৰহণ কৰা হ'ল শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক "শিক্ষাৰ অধিকাৰ আইন, ২০০৯।" এই আইন অনুসৰি ৬ ৰ পৰা ১৪ বছৰ বয়সলৈকে প্ৰতিজন শিশুৰ বাবে শিক্ষাক মৌলিক অধিকাৰ হিচাবে গণ্য কৰি 'বিনামূলীয়া আৰু বাধ্যতামূলক' শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। আইনত উল্লেখ থকা অনুসাৰে কোনো ছাত্ৰ-ছাত্ৰীক অনুত্তীৰ্ণ কৰাব নোৱাৰিব।

অসম চৰকাৰ সকলো শিশুকে গুণগত প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে গুজৰাট চৰকাৰৰ আৰ্হিত ৰাজ্যখনৰ বিদ্যালয়সমূহত ২০১৭ বৰ্ষৰ পৰা গুণোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। এই গুণোৎসৱৰ দ্বাৰা ১) প্ৰাথমিক স্তৰত শিশুৰ সকলো বিষয়ত থকা শৈক্ষিক পাৰদৰ্শিতাক বিচাৰ কৰা। ২) শৈক্ষিক দিশত থকা সমস্যাসমূহ বিচাৰি উলিয়াই সমস্যাসমূহৰ প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা। ৩) শিশুৰ নামভৰ্তি কৰা বৃদ্ধি কৰা আৰু বিদ্যালয় বৰ্হিভূতঃ শিশুৰ সংখ্যা হ্ৰাস কৰা আদি ফলসমূহ আশা কৰা হৈছে।

ওপৰৰ আলোচনাৰ পৰা এইটো দেখা গ'ল যে বৈদিক কালৰে পৰা বৰ্তমানলৈ শিশুসকলৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত নানা পৰীক্ষা-নিৰীক্ষা চলি থাকিল একমাত্ৰ শিশু শিক্ষাৰ বিকাশৰ বাবেই। কিন্তু আজিলৈকে ইয়াৰ সৰ্বজনীনতাৰ ক্ষেত্ৰত সমস্যা আঁতৰা দেখা নগ'ল। এনে সমস্যাৰ মূল কাৰণসমূহ হ'ল -- ১ ) বহুতো শিশোৱে সকলৰ পঞ্চম শ্ৰেণী পোৱাৰ আগতেই বিদ্যালয়লৈ যোৱা বন্ধ কৰে। এইখিনি বয়স পোৱাৰ লগে লগে মাক-বাপেকে নিজৰ ল'ৰা-ছোৱালীক উপাৰ্জনৰ আহিলা হিচাপে ব্যৱহাৰ কৰে। ২ ) বহুতো মাক-বাপেকে ভাবে যে ল'ৰা-ছোৱালীয়ে ঘৰুৱা কামো কৰিব আৰু স্কুলকো যাব। ফলত বিদ্যালয়ৰ উপস্থিতি হয় স্বেচ্ছামূলক। ৩ ) গাঁৱে-ভুঞে ব্যক্তিগত খণ্ডৰ শিক্ষা-প্ৰতিষ্ঠানৰ পয়োভৰ হোৱাত সৰ্বসাধাৰণ লোকে "চৰকাৰী বিদ্যালয় বেয়া, প্ৰাইভেট হ'লে ভাল" বুলি ধৰি লোৱাৰ প্ৰৱণতা আহিছে। প্ৰগ্ৰেম ফৰ ইণ্টাৰনেশ্বনেল ষ্টুডেণ্টচ এছেচমেণ্ট [Programme for International Students' Assessment, PISA] বা পিছাৰ মতে ৬৫খন উন্নত দেশৰ অভিজ্ঞতাৰ পৰা এই কথা সাব্যস্ত হৈছে যে ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ পয়োভৰে দেশৰ শিক্ষা ব্যৱস্থাৰ মানদণ্ড নবঢ়ায়। অন্যহাতে, শিক্ষা-ব্যৱস্থাৰ ক্ষেত্ৰত মুক্ত বজাৰৰ প্ৰতিযোগিতাই অসমতাহে বঢ়ায়। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চুইডেনৰক্ষেত্ৰত এই কথা প্ৰমাণিত হৈছে। ভাৰততো ভাল গৱেষণাৰ দ্বাৰা সাব্যস্ত হৈছে যে, ছাত্ৰ-ছাত্ৰীৰ আৰ্থ-সামাজিক স্থানৰ প্ৰভাৱ যেতিয়া আঁতৰাই চোৱা যায়, তেতিয়া ব্যক্তিগত আৰু চৰকাৰী শিক্ষা-প্ৰতিষ্ঠানৰ মানদণ্ডৰ মাজত কোনো পাৰ্থক্য নেথাকে। আচৰিত কথা হৈছে, ভাৰতৰ শিক্ষা-ব্যৱস্থাত ব্যক্তিগত শিক্ষা-প্ৰতিষ্ঠানৰ সংখ্যা পৃথিৱীৰ বেচিভাগ দেশৰ তুলনাত দুগুণতকৈয়ো বেছি। মাত্ৰ বিফল ৰাষ্ট বিলাকতহে ব্যক্তিগত শিক্ষা-প্ৰতিষ্ঠানৰ এনে পয়োভৰ দেখা যায়। গতিকে এই প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ দিব পাৰি- চৰকাৰী শিক্ষা-প্ৰতিষ্ঠানৰ ভূমিকা আগশাৰীলৈ অনাৰ বাহিৰে বিকল্প পথ নাই। চৰকাৰী শিক্ষা-প্ৰতিষ্ঠানত সমস্যা নিশ্চয় আছে, কিন্তু তাৰ সমাধান ব্যক্তিগত খণ্ডৰ প্ৰসাৰৰ যোগেদি কৰিব নোৱাৰি। গতিকে জনসাধাৰণ, প্ৰচাৰ মাধ্যম, বুদ্ধিজীৱী আৰু বিশেষকৈ মধ্যবিত্ত শ্ৰেণীয়ে চৰকাৰী বিদ্যালয়ৰ উন্নতিকৰণত হাতে-কামে লাগিলেহে আমাৰ শিক্ষা-ব্যৱস্থাৰ সৰ্বাংগীণ উন্নতি সম্ভৱ হ'ব। ৩) শিক্ষকৰ সামাজিক অৱস্থান আৰু শিক্ষা-পদ্ধতি অৱলম্বনৰ স্বাধীনতা শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সমস্যা। এইটো আৰু এটা দিশ, যাৰ বিষয়ে ফিনলেণ্ডৰ শিক্ষা ব্যৱস্থাৰ পৰা শিকিবলগীয়া আছে। মন কৰিবলগীয়া যে ফিনলেণ্ডত শিক্ষকৰ দৰমহা অন্য চাকৰিৰ তুলনাত বেচি নহয়। কিন্তু সকলোতকৈ শ্ৰেষ্ঠ আৰু চোকা-বুধিৰ যুৱক-যুৱতীয়ে তাত শিক্ষকৰ চাকৰিলৈ আকৃষ্ট হয়। তাৰ কাৰণ দুটা --- সন্মান আৰু শিক্ষা-পদ্ধতি অৱলম্বনৰ স্বাধীনতা। শিক্ষকৰ ক্ষেত্ৰত তেওঁলোকৰ মূলমন্ত্ৰ হৈছে- "শ্ৰেষ্ঠকেইজনক বাচি লোৱা, তেওঁলোকক উপযুক্ত শিক্ষা দিয়া, সন্মান দিয়া আৰু স্বাধীনতা দিয়া"। এয়া আমাৰ শিক্ষকৰ বাবেও প্ৰযোজ্য হ'ব লাগে। আমি মধ্যবিত্ত শ্ৰেণীয়ে আমাৰ শিক্ষা-ব্যৱস্থাৰ দুৰ্বলতাবোৰৰ পৰা পিছা দিয়েই ফালৰি কাটিবলৈ চেষ্টা কৰিছোঁ, আমাৰ সন্তানক খৰচী ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ পঠিয়াই। আমাৰ সমাজত এতিয়া টকাৰহে জয়জয়কাৰ। তাৰ সলনি যদি সমাজত ধনী জনতকৈ শিক্ষকৰ স্থান উচ্চ হয় তেন্তে অদূৰ ভৱিষ্যতে আমি নিচিন্ত মনেৰে আমাৰ উত্তৰ-প্ৰজন্মক চৰকাৰী শিক্ষানুষ্ঠানত কম খৰচতে শিক্ষিত কৰিব পাৰিম। আজি আমাৰ শিক্ষক পিছাৰ দুখীয়া নহয়, মৰ্য্যদা আৰু সহায়-সহযোগৰহে দুখীয়া। ৫ )প্ৰাথমিক শিক্ষাৰ শিক্ষকসকলক একে অঞ্চলৰ কৰিব নোৱাৰিলে উপযুক্ত সেৱাৰ পৰা বঞ্চিত হোৱা যায়। সেয়েহে যথাসম্ভৱ শিক্ষকসকলক ওচৰৰ বিদ্যালয়ত নিযুক্তি দিব লাগে।

চৰকাৰী তথ্য আৰুবাস্তৱৰ বিদ্যালয় -- এই দুটাৰ মাজত যথেষ্ট তফাৎ আছে। বাস্তৱৰ ছবিখন বৰ দুখলগা। স্কুলৰ অৱস্থিতি শুকান আৰু আকৰ্ষণবিহীন হ'লে অস্বাস্থ্যকৰ হয়। অস্বাস্থ্যকৰ বায়ুৱে যিদৰে ভাল ফল নিদিয়ে ঠিক তেনেকৈ অস্বাস্থ্যকৰ পৰিবেশো অন্যায়কাৰক।

# নীৰৱ যুঁজৰ অদৃশ্য বীৰ

**ডাঃ মৃণাল দাস**

জীৱনটোৱে আমাক বহু মানুহৰ সৈতে পৰিচয় কৰাই দিয়ে। কিছুমান মানুহ আহে আমাৰ মুখত হাঁহি আনিবলৈ, কিছুমানে জীৱনৰ মূল্য শিকাবলৈ আৰু কিছুমানে আহি আমাক এনেকুৱা আঘাত দি যায়, যাৰ দাগ হয়তো আজীৱন বুকুৰ মাজত ৰৈ যায়। আমি ভাবোঁ-যিসকলক আমি নিজৰ বুলি বিশ্বাস কৰোঁ, তেওঁলোক হয়তো সকলো সময়তে আমাৰ লগত থাকিব। কিন্তু সময়ৰ লগে লগে বুজি পাওঁ, জীৱনত চিৰদিনৰ বাবে কাকো ধৰি ৰখিব নাযায়। মানুহে নিজৰ নিজৰ জীৱন, নিজৰ দায়িত্ব আৰু নিজৰ সংগ্ৰাম লৈ ব্যস্ত হৈ পৰে। শেষত, নিজৰ যুঁজখন নিজেই যুঁজিব লগা হয়। মানুহে আপোনাক সানত্বনা দিব। আপোনাৰ দুখৰ কথা শুনিব। হয়তো আপোনাৰ কান্ধত হাত থৈ ক'ব-"চিন্তা নকৰিবা, সকলো ঠিক হৈ যাব।" কিন্তু সেই সানত্বনাৰ সময় শেষ হোৱাৰ পিছত তেওঁলোকে পুনৰ নিজৰ জীৱনলৈ উভতি যাব। আপোনাৰ বুকুৰ গভীৰতাত জমা হৈ থকা কষ্ট, আপোনাৰ নীৰৱ কান্দোন, আপোনাৰ ভঙা সপোন এইবোৰৰ ওজন কেৱল আপুনিয়েই অনুভৱ কৰিব পাৰে।

জীৱনৰ কিছুমান যুদ্ধ এনেকুৱা হয়, য'ত কোনো সৈনিক নাথাকে, কোনো দৰ্শক নাথাকে। থাকে কেৱল আপুনি আৰু আপোনাৰ শক্তি। সেই সময়ত বুজি পোৱা যায় সঁচা সাহস বাহিৰৰ পৰা নাহে, সেয়া নিজৰ ভিতৰতে জন্ম লয়। আমি প্ৰায়েই আনৰ ওপৰত অতিমাত্ৰা ভৰসা কৰোঁ। ভাবোঁ, কোনোবাই আহি আমাৰ সমস্যাবোৰ সমাধান কৰি দিব, আমাৰ দুখবোৰৰ ভাগ ল'ব, আমাৰ পথটো সহজ কৰি দিব। কিন্তু বাস্তৱত, মানুহে আপোনাক পথ দেখুৱাব পাৰে, কিন্তু সেই পথত খোজ দিব লাগিব আপোনালোকেই নিজেই। তেওঁলোকে আপোনাক উৎসাহ দিব পাৰে, কিন্তু আপোনাৰ সপোন পূৰণৰ বাবে পৰিশ্ৰম কৰিব লাগিব আপোনাকেই। তেওঁলোকে আপোনাৰ চকুৰ পানী মচিব পাৰে, কিন্তু হৃদয়ৰ বিষটো সহ্য কৰিব লাগিব আপোনালোকেই।

সেইবাবেই নিজৰ সুখ কেতিয়াও আনৰ উপস্থিতিৰ ওপৰত নিৰ্ভৰশীল নকৰিব। কাৰণ মানুহ সলনি হয়। পৰিস্থিতি সলনি হয়। সময় সলনি হয়। বহু প্ৰতিশ্ৰুতি সময়ৰ সোঁতত হেৰাই যায়। কিন্তু এটা সম্পৰ্ক কেতিয়াও শেষ নহয়-সেয়া হৈছে নিজৰ সৈতে নিজৰ সম্পৰ্ক।

নিজৰ সৈতে বন্ধুত্ব কৰিবলৈ শিকক। নিজৰ ভুলবোৰ ক্ষমা কৰিবলৈ শিকক। নিজৰ সৰু সৰু সফলতাবোৰ উদযাপন কৰিবলৈ শিকক। নিজৰ দুখবোৰ স্বীকাৰ কৰিবলৈ শিকক। কাৰণ আপুনি যদি নিজৰ লগত থাকিব পাৰে, তেন্তে পৃথিৱীৰ কোনো শক্তিয়ে আপোনাক সম্পূৰ্ণভাৱে ভাঙিব নোৱাৰে।

মনত ৰাখিব-কান্দিলে মানুহ দুৰ্বল নহয়। চকুৰ পানী হৈছে হৃদয়ত জমা হৈ থকা বেদনাৰ নীৰৱ ভাষা। যিসকলে জীৱনত বহু আঘাত পাইছে, বহু হেৰুৱাইছে, বহু হতাশা পাৰ কৰিছে-তেওঁলোকেই জীৱনৰ প্ৰকৃত মূল্য বেছি বুজে। আঘাতেই মানুহক অধিক পৰিপক্ব কৰে, অধিক শক্তিশালী কৰে। জীৱনৰ অন্ধকাৰ সময়বোৰক অভিশাপ বুলি নাভাবিব। এই সময়বোৰেই আপোনাক শিকায় কোন আপোনাৰ সঁচা মানুহ, কোন কেৱল সময়ৰ সংগী। এই সময়বোৰেই আপোনাক নিজৰ ভিতৰত লুকাই থকা সাহস চিনাকি কৰাই দিয়ে। বতৰ সদায় একে নাথাকে; ধুমুহাৰ পিছতো আকাশ পুনৰ নীলা হয় ফৰকাল হয়। ঠিক তেনেকৈ, জীৱনৰ কষ্টৰ পিছতো শান্তি আহে-যদি আপুনি হাৰ নামানে।

কেতিয়াও নিজৰ মূল্য আনৰ মতামতৰ জোখত অনুমান নকৰিব। কোনোবাই আপোনাক অবহেলা কৰিলে তাৰ অৰ্থ এই নহয় যে আপোনাৰ মূল্য নাই।

নিজৰ ওপৰত বিশ্বাস ৰাখক। (৬ পৃষ্ঠালৈ)

*চুটি গল্প*

# নতুন আশা

**এইফালে কলেজৰ সুন্দৰী প্ৰতিযোগিতাৰ বিচাৰক প্ৰেম বৰা সৰস্বতী পুজাৰ আগদিনা কলেজত ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে যোগদান কৰিছে । এই কথা অৱশ্যে মামনিহঁতে গম পোৱা নাছিল । মামনিৰ বেশভূষা দেখি প্ৰেম বাৰুকৈয়ে আকৰ্ষিত হৈছিল । সৰস্বতী পূজাৰ শেষত তাইক লগ কৰিব বুলি মনতে ভাবিছিল কিন্তু তাই পুৰস্কাৰ লৈয়ে ঘৰলৈ গৈছিল । সেয়ে প্ৰবক্তা প্ৰেম বৰাই সহকৰ্মীৰ পৰা ঠিকনা লৈ সন্ধিয়া মামনিক অভিনন্দন জনোৱাৰ চলেৰে মামনিক লগ কৰিব গ'ল**

নিজৰা বৰ্মন ডেকা

সৰস্বতী পুজা বুলিলে ছাত্ৰ-ছাত্ৰীৰ মনত আনন্দৰ সীমা নধৰা হয় । মামনিৰো মনত আনন্দৰ জোৱাৰ উঠিছে । এইবাৰ নতুনকৈ কলেজ পাইছে । গতিকে সৰস্বতী পুজাত কি সাজ পিন্ধিব ভাবি পোৱা নাই । কিয়নো কাঁহৰ বাচন বনোৱা গঢ়শালত দিনহাজিৰা কাম কৰা দেউতাকে তাইক এজোৰ পাতৰ কাপোৰ দিব নোৱাৰে । এইফালে তাইৰ বান্ধৱীহঁতে নতুন কাপোৰ কিনি দৰ্জিক চালাই কৰিব দিছে । তাইৰ নলেগলে লগা বান্ধৱী ৰুবীক তাইৰ প্ৰেমিকে এসাঁজ পাটৰ কাপোৰ দিছে । অৱশ্যে মামনিৰ ইমানো বিলাসিতা নাই কাপোৰ কানিৰ প্ৰতি । প্ৰেম শব্দটোৰ পৰা তাই এতিয়াও বহু দুৰত । কিমান ল'ৰা যে তাইৰ পিছত লাগি থাকে হিচাপ নাই । তাই সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰে । সেয়ে তাইক বহু ল'ৰাই অহংকাৰী মামনি নাম দিছে । তাই মাকক মাতি আনি ক'লে- ---মা শুনাচোন ।

মাকে সহাৰি দিলে - কোৱা মাজনী ,মই শুনি আছোঁ ।

--"মা " তুমি ইমান ধুনীয়াকৈ কাপোৰ বুব জানা । গতিকে এইবাৰ সৰস্বতী পূজাত পিন্ধিবলৈ তোমাৰ তাঁত শালত মোলৈ এযোৰ কাপোৰ বনাই দিয়া । হাতে বোৱা কাপোৰ নিলে নিজকে বৰ উন্নত যেন লাগে ।বুৱনি মাকৰ লগত আলোচনা কৰি একসপ্তাহৰ ভিতৰতে নীলা ৰঙৰ চাদৰ মেখেলা ৰঙা, হালধীয়া ,সোনালী ৰঙৰ সুতাৰে বুটা বাচি দিন - ৰাতি কষ্ট কৰি কাপোৰ সাজ বুই উলিয়ালে । সৰস্বতী পূজাৰ দিনা তাই সগৌৰৱে নিজে বনোৱা কাপোৰ পিন্ধি পোন প্ৰথমে সৰস্বতীৰ বেদীত পুষ্পাঞ্জলী দি আহিল । সকলোৱে ইমান চিম্পুল অথচ ধুনীয়া হাতে বোৱা কাপোৰ জোৰৰ পিনে তধা লাগি চাই ৰ'ল । কলেজৰ পূজা কমিটিৰ সিদ্ধান্ত মৰ্মে সৰস্বতী পূজা বিশেষ সুন্দৰী প্ৰতিযোগিতাত মামনিৰ নামটো প্ৰথম স্থানত জিলিকি উঠিল । পূজাৰ অন্তত পুৰষ্কাৰ লৈ মামনি ঘৰলৈ গৈ মাকৰ হাতত দি ক'লে -- মা এইয়া তোমাৰ মৰমৰ পুৰষ্কাৰ । আনন্দত মাকৰ মাত গদদ দৈ পৰিল । এইফালে কলেজৰ সুন্দৰী প্ৰতিযোগিতাৰ বিচাৰক প্ৰেম বৰা সৰস্বতী পুজাৰ আগদিনা কলেজত ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে যোগদান কৰিছে । এই কথা অৱশ্যে মামনিহঁতে গম পোৱা নাছিল । মামনিৰ বেশভূষা দেখি প্ৰেম বাৰুকৈয়ে আকৰ্ষিত হৈছিল । সৰস্বতী পূজাৰ শেষত তাইক লগ কৰিব বুলি মনতে ভাবিছিল কিন্তু তাই পুৰস্কাৰ লৈয়ে ঘৰলৈ গৈছিল । সেয়ে

প্ৰবক্তা প্ৰেম বৰাই সহকৰ্মীৰ পৰা ঠিকনা লৈ সন্ধিয়া মামনিক অভিনন্দন জনোৱাৰ চলেৰে মামনিক লগ কৰিব গ'ল ।

মামনিক প্ৰেমে তাইৰ কলেজত নতুনকৈ যোগদান কৰা বুলি নকৈ মাত্ৰ সুন্দৰী প্ৰতিযোগিতাৰ বিচাৰক টুলি চিনাকি দিলে আৰু মামনি পিন্ধা কাপোৰ যোৰৰ নিচিনা এযোৰ কাপোৰ তাৰ ভণ্টিৰ বাবে বিচাৰিলে । ভাগ্য ভাল যে মামনিৰ মাকে দুযোৰ কাপোৰ বনাইছিল । এতিয়া সেইযোৰ বিক্ৰী কৰি সেই টকাৰে মামনিৰ মাক শেৱালিয়ে আৰু দুযোৰ কাপোৰ মামনিৰ বাবে বনাব পাৰিব । শেৱালিৰ মনটো ভাল লাগি গ'ল । আৰু কাপোৰযোৰ দুদিনমান পিছত

নিব আহিব ক'লে । প্ৰবক্তা প্ৰেমে কাপোৰ সাঁজৰ দামটো দি যাবলৈ ওলাল । এনেতে মামনি চাহ-নাষ্টা আনি খাবলৈ দিলে । চাহ খাই প্ৰেম গ'লগৈ আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে । মামনিৰ মাক দেউতাকে প্ৰবক্তা প্ৰেম বৰাৰ লগত চিনাকি হৈ বৰ ভাল পালে । কথা-বাৰ্তা , আচাৰ -ব্যৱহাৰত অতিশয় আপ্লুত হৈ পৰিল ।

প্ৰেম প্ৰকৃততে বৰ ভাল ল'ৰা । উচ্চ বংশ মৰ্যাদাৰ ল'ৰা কিন্তু তাৰ মনত অলপো গৰ্বভাৱ নাই । তাৰ প্ৰথম চাওনিতে মামনিক ভাল লাগিছিল । সেয়ে তাইৰ ঘৰ বিচাৰি উলিয়াইছিল ।

সৰস্বতী পূজাৰ দুদিন পিছত মামনি কলেজলৈ গ'ল । আৰু প্ৰথম ক্লাছ ইংৰাজী শিকাবলৈ অহা প্ৰবক্তা গৰাকীক দেখি চকু কপালত উঠিল । তাই ভাবিলে "কি আচৰিত মানুহ যে এইটো এবাৰো নকলে তেওঁ যে আমাৰ শিক্ষাগুৰু হৈ আহিছে ।" মানিব লাগিব পেটত ইমান কথা ৰাখিব পাৰে ।

এইফালে প্ৰেম বৰাই মামনিৰ ফালে চাই ছাৰপ্ৰাইজ কেনে লাগিল আকাৰে ইংগিতে সুধিলে । তাই মাথো মুখ মিলি চাই ৰ'ল । লগত থকা বান্ধৱীয়ে সুধিলে ইমান আচৰিত হ'ব লগা কি হ'লনো ? তেতিয়া তাই সৰস্বতী পূজাৰ দিনা সন্ধিয়া সিহঁতৰ ঘৰলৈ যোৱাৰে পৰা সকলো কথা বিৱৰি ক'লে । তেতিয়া সিহঁতে তাইক জোকাবলৈ ধৰিলোঁদ।--

---ও....হো . ..ক'ব নোৱাৰিছো দে । তলে তলে কথা ইমান আগবাঢ়িছে ।

----কি আগবাঢ়িলনো ? তেখেতে মোৰ কাপোৰযোৰ ভাল লগা বাবে ভণিয়েকৰ বাবে এযোৰ আনিব গৈছে ।

---হয়নে ? আমি হ'বলা নাজানো কাপোৰ বিচাৰি গৈছে নে কাপোৰৰ গৰাকীক বিচাৰি গৈছে । সকলো জানো দিয়া আমি । তুমিহে আজলি । এতিয়াও চোৱা কিতাপখন লৈ তোমাৰ ফালে চাই আছে । ভণিয়েকলৈ কাপোৰ নহয় বৌৱেক জনীকে নিব চাগে ।

-- তোমালোকক কোৱাটোৱে মোৰ ভুল হ'ল । এতিয়া মোক শান্তিত থাকিব নিদিবা চাগে ।

বৰ সৰ্বজন ওলাইছে চোৱা ।

---চাই থাকা মামনি । কাইলৈ প্ৰেমৰ প্ৰস্তাৱ আৰু পৰহিলৈ বিয়াৰ প্ৰস্তাৱ লৈ মহাশয় তোমাৰ দুৱাৰ দলিত উপস্থিত হ'ব । নহ'লে আমাৰ নাম সলাই দিবা ।

মামনি বান্ধৱী হঁতৰ সৈতে ক্লাছবোৰ কৰি ঘৰলৈ উভটি গ'ল । তাই মাকক ক'লে যে প্ৰেম বৰা অকল বিচাৰক হৈ অহা নাই । তেখেত এগৰাকী ইংৰাজী বিষয়ৰ প্ৰবক্তা হৈহে আহিছে । মামনিৰ কথা শুনি মাকৰ তাৰ প্ৰতি আৰু ভাল ভাব আহিল । কিয়নো প্ৰবক্তা হৈও সাধাৰণ মানুহৰ দৰে সকলোৰে লগত মালিব পাৰে । এয়াই প্ৰকৃত শিক্ষা ।

সেইদিনা সন্ধিয়া প্ৰেমেআকৌ মামনিৰ ঘৰলৈ আহিল কাপোৰ যোৰ নিয়াৰ অজুহাত লৈ । আজি মামনিৰ তাৰ ওচৰলৈ যাব লাজ লাগিল । কাৰণ তাইক প্ৰেমৰ নাম লৈ বান্ধৱী হতেঁ জোকাইছিল । এতিয়া সেই মানুহজনৰ ওচৰত সহজ হ'বলৈ অলপ টান লাগিছে । মামনিৰ মাকে তাক বহিবলৈ দি চাহ বনাব গ'ল । মামনিক মাকে প্ৰেমক কাপোৰযোৰ দেখুৱাব দিলে । তাই কাপোৰ যোৰ আনি প্ৰেমৰ হাতত দি ক'ল-

---ছাৰ, এইযোৰ আপোনাৰ কাপোৰ।

---কাপোৰযোৰ দিলা মানে মোক বিদায় দিলা নেকি?

--ইছ...কথা ক'বলৈ আহিছে । মাই চাহ বনাব গৈছেদ। চাহ নোখোৱাকৈ যাব নিদিও আপোনাক ।


---কিয় ,.. ?অকল চাহ খুৱাবা যে ভাত নিদিয়া নিকি ?

---আমাৰ দৰে দুখীয়া মানুহৰ ঘৰত ভাত খাব জানো ?

---কিয় নাখাম ? সকলো মানুহ একে জানা মামু ।

মামু ,,.. আজিলৈকে মোক কোনেও মামু বুলি মতা নাই । আপুনি কিয় মাতিলে ।

---কিয় মাতিলে মানে ? হৃদয়ৰ পৰা ওলাই আহিল । আৰু এটা কথা মামু । তুমি মোতকৈ বহু সৰু। তথাপিও তোমাক মোৰ প্ৰথম দেখাতে ভাল লাগিছে । সেয়ে তোমাক খুলা-খুলিকৈ কৈ দিব বিচাৰো যে --মই তোমাক ভাল পাওঁ । মই অভিনয় নাজানো । মোৰ দা দেউতা আৰু ভণ্টি বিচৰা মানুহ জনী তুমিয়েই । তোমাৰ মা দেউতাক মই সকলো ক'ম । অৱশ্যে তুমি যিমান পঢ়িব বিচৰা সিমান পঢ়িব দিম মই । ইয়াত ভাবিব লগা একো নাই । মই জানো তুমি উত্তৰ দিব নোৱাৰা ইমান সোনকালে । গতিকে কাইলৈ মোক ক'লেও হ'ব নহ'লে ফোন কৰিবা । আজিলৈ আহো মই। এইবুলি প্ৰেম যাবলৈ ওলাল । ঠিক সেই সময়ত মাকে ক'লে---আমাৰ ফোন নাই বোপাই । তেতিয়া সি কাইলৈ আকৌ আহিম বুলি কৈ গ'লগৈ।



বহু ৰাতিলৈকে মামনিৰ টোপনি নাই । বহু ল'ৰা তাইৰ পিছত লাগি থাকে কিন্তু কাকো গুৰুত্ব নিদিয়ে । কিন্তু আজি ইমান সহজভাবে স্পষ্টকৈ প্ৰবক্তা প্ৰেম বৰাই তাইক ভাল পাওঁ বুলি কোৱাত সঁচাকৈ আচৰিত । তাতকৈ আচৰিত তাইৰো মনটো লগে লগে তাৰ প্ৰতি আকৰ্ষিত হৈছে । আনন্দত মন ভৰি পৰিছে তাইৰ । কিবা এক অজান অনুভুতি অনুভৱ কৰিছে। ভাবি থাকোতে তাইৰ টোপনি আহিল । দেৰিকৈ টোপনি অহা বাবে দেৰিকৈ সাৰ পালে । দৌৰাদৌৰিকৈ গা ধুই কলেজলৈ গ'ল। তাতো তাই সহজ হ'ব নোবাৰিলে । ইংৰাজী ক্লাছটো কৰিব নোৱাৰিলে ।

সন্ধিয়া সময়ত আকৌ প্ৰেম আহিল আৰু মামনিলৈ উপহাৰ হিচাবে আনিলে ।

প্ৰেমৰ চিন স্বৰূপে প্ৰেমে উপহাৰ দিছিল মোবাইল।

আৰু সেইদিনা প্ৰেমে তাইক কৈছিল যে--

--- 'মই তোমাক ভাল পাওঁ আৰু তুমি মোক। ভালপোৱা মানে ইয়াকে নুবুজিবা যে দুয়ো অলৌতলৌকৈ ঘূৰি ফুৰিম, নদীৰ পাৰত বহি ঘন্টাৰ পাছত ঘন্টা কথা পাতিম, কোনোবা পাৰ্কত গৈ বহি থাকিম-এইবোৰ নহয় । ভালপোৱা মানে তোমাৰ আৰু মোৰ মনৰ মিল । মই তোমাৰ ভাল হোৱাটো চিৰদিন কামনা কৰিম। সেয়ে মোবাইলটো তোমাক মৰমৰ চিনস্বৰূপে দিলোঁ। মোবাইলৰ সদ্ব্যৱহাৰ কৰিবা । মোক মেছেজ কৰিব নালাগে । বিপদে আপদে খবৰ কৰিবলৈ মোবাইলৰ প্ৰয়োজন। গতিকে সদায়ে সময়ক প্ৰধান্য দিহে চলিবা।

মামনিৰ সেইদিনা প্ৰেমক এজন সুদক্ষ অভিভাৱক যেন লাগিল । ইমান জানে প্ৰেমে । তাৰ ধুনীয়া মুখখনলৈ চাই তাইৰ যিমান মৰম লাগে, তাৰ সমানে তালৈ তাইৰ শ্ৰদ্ধাও উপজে এজন অভিভাৱক হিচাপে ।

এইদৰে দিন গৈ থাকিল দুয়োৰে প্ৰেম গভীৰ হ'ল । প্ৰেমে পঢ়াশুনাত মামনিক যথেষ্ট সহায় কৰিলে আৰু তাৰ ফল স্বৰূপে তাই সুখ্যাতিৰে ডিগ্ৰী লাভ কৰিলে । আৰু এদিন আটাইৰে অনুমতিত দুয়োৰে বিয়াখন সুন্দৰ ভাৱে পাৰ হৈ গ'ল। দুয়ো নতুন আশা লৈ নৱ প্ৰভাতৰ ৰঙেৰে উদ্ভাসিত হৈ সংসাৰ সাগৰত ডিঙৱা মিলি দিলে ।

# পৰিৱৰ্তন

ৰঞ্জু ভাগৱতী

আৰে,,, নয়ন দেখুন, একো খা-খবৰ নিদিয়াকৈ আহিলি যে , কেতিয়া আহিলি ঘৰলৈ ?

: আজি তিনিদিনেই হ'ল অহাৰ।

: অ'..তই আহি ঘৰতে সোমাই আছহি যে---

: কি কৰিবি , মনটো ভাল নহয় অ'

কিয় ? কি হৈছে তোৰ ??

বিমানে নয়নক তেনেকৈ প্ৰশ্ন কৰি ভিতৰলৈ নি বহিবলৈ দিলে।

নয়নে ক'লে ---' চা ,,,বিমান , আজি চাকৰিত সোমোৱাৰ পিচত প্ৰায় পাঁচ বছৰৰ মূৰত নিজৰ গাঁও খনলৈ আহিছোঁ , চহৰৰ গাড়ী-মটৰ , কল-কাৰখানাৰ কোলাহলৰ পৰা অলপ শান্তি পাওঁ বুলি। মই মনতে যি ভাবি নিজ গাওঁ খনলৈ ঢপলিয়াই আহিছিলোঁ এতিয়া ভাবিছোঁ মোৰ ধাৰণা মিছা , কেৱল সময়হে সঁচা'।

নয়নে বিমানৰ কথা একো বুজিব নোৱাৰি ক'লে ---' তই আচলতে কি ক'ব বিচাৰিছ , বুজাই ক,চোন '।

বিমানে ক'লে--- আমি এই গাঁৱতে জন্ম হৈ গাঁৱৰ ধূলি-বালিত খেলি , গাঁৱৰ সকলোৱে মৰম চেনেহৰ মাজত ডাঙৰ-দীঘল হৈ আজি এই অৱস্থা পালোঁ। গাওঁখনৰ মানুহৰ মৰম চেনেহে যেন মোক আজিও হাত বাউলি মাতে । কিন্তু আজি ঘৰখনলৈ আহি বাৰুকৈয়ে অনুভৱ কৰিছোঁ যে গাঁৱত আৰু আগৰ সেই পৰিবেশ নাই। নাই আগৰ সেই মৰম চেনেহবোৰ । সৰুৰে পৰা আমি দেখি আহিছিলোঁ , গাঁৱৰ এঘৰলৈ কোনোৱা আলহী আহিলে বা নিজৰ ল'ৰা ছোৱালী চাকৰি সূত্ৰে গৈ বাহিৰত থাকি বহু দিনৰ মুৰত যেতিয়া ঘৰলৈ আহে ,গাঁৱৰ সকলোৱে তাৰ খবৰ ল'বলৈ উবুৰি খাই পৰে। ইঘৰে- সিঘৰে মাতে। এতিয়া যেন সেই চেনেহা চেনেহীবোৰ শেষ হৈ গ'ল অ' । মই আজি ইমান দিনৰ মুৰত আহিছোঁ , মোক যেন এতিয়া আমাৰ ওচৰৰ মালতী বৌহঁতেও চিনিকে নাপায়। মাত এষাৰ দিবলৈকো তেওঁলোকৰ সময় নাই। এতিয়া দেখিছোঁ গাওঁ আৰু চহৰৰ মাজত একো পাৰ্থক্য নাই অ'। সকলোতে কৃত্ৰিমতা।

এটা কথা ঠিক , গাওঁবোৰৰ উন্নতি হ'ল, ৰাস্তা ঘাট ভাল হ'ল , বাঁহ খেৰৰ পৰিৱৰ্তে সকলোৱে পকী ঘৰ হ'ল। সেইবোৰ দেখি ভাল লাগিছে। কিন্তু তাৰ লগে লগে যেন মানুহবোৰো পৰিৱৰ্তন হ'ল। মানুহৰ মনবোৰ শিলৰ দৰে কঠিন হ'ল।

তই ঠিকেই কৈছ, অ' । গাঁৱৰ সেই আগৰ পৰিবেশ নাই । আজি-কালি মানুহবোৰ আত্মকেন্দ্ৰীক হ'ল। নিজৰ বাহিৰে আনৰ কথা চিন্তা কৰিবলৈ কাৰোৰে সময় নাই।

এটা কথা--- 'তই আহোঁতে আমাৰ লাইব্ৰেৰীটোৰ ফালে আহিছিলি নেকি' ? বিমানে নয়নক উৎসুকতাৰে সুধিলে।

নয়নে ক'লে---'নাই , মই প্ৰীতমহঁতৰ ঘৰৰ মুখেদিহে আহিছোঁ'।

কিয় সুধিলি , নয়নে বিমানক ক'লে।

: কি কবি , তই শুনিলে আৰু দুখ পাবি।

: ক'চোন ক , লাইব্ৰেৰীটো কিবা হ'ল নেকি ?

: তাত আৰু সেই লাইব্ৰেৰীটো নাই অ'। চৰকাৰৰ কিবা আঁচনিত ধৰি গাঁৱৰ ৰাইজে লাইব্ৰেৰীটো ভাঙি এটা ক্লাৱ ঘৰ বনালে। তাকে ভাবি কেতিয়াবা বৰ দুখ লাগে। আমি কিমান কষ্টৰে মূৰত টুকুৰি লৈ কেঁৰ মাৰি ভেটি তুলি লাইব্ৰেৰীটো গঢ়িছিলোঁ। তয়ে ময়ে ঘৰৰ মানুহৰ গালি খাই খাই , কমটো কষ্ট কৰিছিলোঁ নে । ক'ৰ পৰা যে টকা পইচা সংগ্ৰহ কৰি কিতাপ-পত্ৰ কিনি লাইব্ৰেৰীটো সজাইছিলোঁ। উঠি অহা ল'ৰা ছোৱালীবোৰে যাতে সহজতে তাৰ পৰা কিতাপ পঢ়ি কিছু জ্ঞান পাব বুলি। কিন্তু আজি । তই দুখ পাবি বুলিয়েই ইমান দিনে তোক খবৰটো জনোৱা নাছিলোঁ অ' ।

বিমানৰ কথা শুনি নয়নৰ বুকুখন আকৌ এবাৰ জোৰকৈ মুচৰ খাই গ'ল ----

: তাৰ কিতাপ-পত্ৰবোৰ এতিয়া কি হ'ল ? নয়নে বিমানক সুধিলে।

: অলপ মোৰ তাত আছে আৰু অলপ ডেকা চাৰৰ ঘৰত আছে। বিমানে ক'লে।

: ব'লচোন চাই আহোগৈ এপাক। নয়নে বিমানক লাইব্ৰেৰীটো থকা ঠাইলৈ লগ ধৰিলে।

নাই ভাই , মই নাযাওঁ দে , তয়ে যা, চাই আহগৈ ।

: ঠিক আছে তেনে , ময়ে যাওঁ ৰহ, চাই আহোঁগৈ----

নয়নে বিমানৰ পৰা বিদায় লৈ চাইকেল খন লৈ লাইব্ৰেৰীটো ফালে গ'ল। তাত গৈ সি ক্লাব ঘৰটোৰ মুখতে চাইকেল খন ৰখাই ঘৰটো ভিতৰলৈ জুমি চাই দেখে যে ঘৰটোৰ ভিতৰত গাঁৱৰ চেঙেলীয়া ডেকাৰ পৰা আদহীয়া লৈকে তাঁচ খেলাই তাঁচ খেলিছে ,কেৰম খেলাই কেৰম খেলিছে। কেইজনমান আক' ম'বাইলত ব্যস্ত। ওচৰতে সৰু ল'ৰা ছোৱালীবোৰে দৌৰা-ধপৰাকৈ চিঞৰি বাখৰ কৰি খেলি আছে। নয়ন যে সিহঁতৰ ওচৰতে গৈ ঠিয় হৈ আছে তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই। সিহঁতৰ যেন মুৰ তুলি চাবলৈকো সময় নাই। মাত এষাৰ দিয়া বাদেই। তাক যেন সিহঁতে চিনিকে নাপায়।।

নয়নে এটা ভাৰাক্ৰান্ত মন লৈ তাৰ পৰা আঁতৰি আহিল। ঘৰলৈ ঘূৰি আহি সি ৰাতি বিচনাত পৰি ভাবিলে ---'নাই সি আৰু গাঁৱত বেছি দিন থাকিব নোৱাৰে। পোন্ধৰ দিনৰ চুটি লৈ সি যি মানসেৰে গাঁৱখনলৈ আহিছিল তাৰ পৰিৱৰ্তে সি কিছুমান দুখৰ স্মৃতিহে কঢ়িয়াব লগা হ'ল। সি পিছ দিনাই গাঁৱৰ পৰা তাৰ চাকৰি ঠাইলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত ল'লে ---------



**আমি এই গাঁৱতে জন্ম হৈ গাঁৱৰ ধূলি-বালিত খেলি , গাঁৱৰ সকলোৱে মৰম চেনেহৰ মাজত ডাঙৰ-দীঘল হৈ আজি এই অৱস্থা পালোঁ। গাওঁখনৰ মানুহৰ মৰম চেনেহে যেন মোক আজিও হাত বাউলি মাতে । কিন্তু আজি ঘৰখনলৈ আহি বাৰুকৈয়ে অনুভৱ কৰিছোঁ যে গাঁৱত আৰু আগৰ সেই পৰিবেশ নাই। নাই আগৰ সেই মৰম চেনেহবোৰ । সৰুৰে পৰা আমি দেখি আহিছিলোঁ , গাঁৱৰ এঘৰলৈ কোনোৱা আলহী আহিলে বা নিজৰ ল'ৰা ছোৱালী চাকৰি সূত্ৰে গৈ বাহিৰত থাকি বহু দিনৰ মুৰত যেতিয়া ঘৰলৈ আহে ...**

আগৰ পৃষ্ঠাৰ পৰা

অসমীয়া দৈনিক নতুন স্বদেশ

## নীৰৱ যুঁজৰ অদৃশ্য বীৰ

(৪ পৃষ্ঠাৰ পৰা) নিজৰ সপোনক মৰম কৰক। নিজৰ আত্মসন্মান কেতিয়াও হেৰুৱাব নালাগে। আনক সহায় কৰক, কিন্তু নিজৰ অস্তিত্ব হেৰুৱাই নহয়। আনক ভালপাওক, কিন্তু নিজৰ আত্মমৰ্যাদা বিসৰ্জন দি নহয়। এদিন আপুনি পিছলৈ ঘূৰি চাই দেখিব-যিবোৰ দিনত আপুনি ভাঙি পৰিছিল, সেই দিনবোৰেই আপোনাক নতুনকৈ গঢ়ি তুলিছিল। যিবোৰ নিশা আপুনি নীৰৱে কান্দিছিল, সেই নিশাবোৰেই আপোনাক অধিক সাহসী কৰিছিল। যিবোৰ মানুহে আপোনাক এৰি গৈছিল, তেওঁলোকেই আপোনাক শিকাইছিল যে জীৱনৰ আটাইতকৈ শক্তিশালী ভৰসা আন কোনো নহয়-নিজেই।

জীৱনৰ আটাইতকৈ ডাঙৰ Support System কোনো মানুহ নহয়। আপোনাৰ আত্মবিশ্বাস, আপোনাৰ সাহস, আপোনাৰ ধৈৰ্য, আপোনাৰ বিশ্বাস আৰু নিজৰ ওপৰত থকা অটল আস্থা। আপুনিয়েই নীৰৱ যুঁজৰ অদৃশ্য বীৰ।

## যন্তৰ মন্তৰত আঁতৰিল বেৰিকেডঃ খুলি দিয়া হ'ল বন্ধ হৈ থকা মেট্ৰ'ষ্টেচন

(১ পৃষ্ঠাৰ পৰা) কাৰণত যোৱা কেইবাদিনো ধৰি ৰাজীৱ চক, চেণ্ট্ৰেল চেক্ৰেটেৰিয়েট, মাণ্ডি হাউচ, আইটিঅ' আৰু নতুন দিল্লী আদিকে ধৰি প্ৰায় ৰছটা প্ৰধান মেট্ৰ' ষ্টেচনত কঠোৰ বাধা আৰোপ কৰা হৈছিল। এই বাধাসমূহৰ বাবে দৈনিক যাতায়াত কৰা লাখ লাখ যাত্ৰীয়ে তীব্ৰ হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল। বৰ্তমান মেট্ৰ' সেৱা পুনৰ স্বাভাৱিক হৈ পৰাত যাত্ৰীসকলে আশ্বস্ত হৈছে।

## কাৰ্গিল বিজয় দিৱসত বীৰ সৈনিকসকললৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শ্ৰদ্ধাঞ্জলি

(১ পৃষ্ঠাৰ পৰা) যুদ্ধত শত্ৰুক পৰাস্ত কৰি দেশৰ পৰাক্ৰম দেখুওৱা ভাৰতীয় সেনাসকলৰ অতুলনীয় শৌৰ্য আৰু আত্মত্যাগক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। সামাজিক মাধ্যমত কৰা এটা বিশেষ পোষ্টৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ প্ৰতি অকৃত্ৰিম কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে, বিশ্বৰ অন্যতম কঠিন আৰু প্ৰত্যাহ্বানমূলক পৰিস্থিতিতো অসাধাৰণ বীৰত্ব প্ৰদৰ্শন কৰা ভাৰতীয় সেনাৰ পৰাক্ৰমে দেশক সদায় গৌৰৱান্বিত কৰি ৰাখিব। আনহাতে, প্ৰধানমন্ত্ৰীগৰাকীয়ে পোষ্টটোত উল্লেখ কৰিছে যে, "কাৰ্গিল বিজয় দিৱসত আমাৰ দেশবাসীয়ে ভাৰতৰ সুৰক্ষাৰ বাবে অসাধাৰণ সাহসিকতা আৰু উৎসৰ্গা প্ৰদৰ্শন কৰা বীৰ সৈনিকসকলৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। অত্যন্ত দুৰ্গম পৰিস্থিতিতো তেওঁলোকৰ শৌৰ্য-বীৰ্য সদায় ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতীক হৈ ৰ'ব। তেওঁলোকৰ অবিচলিত দেশপ্ৰেম আৰু কৰ্তব্যনিষ্ঠাই প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। "১৯৯৯ চনৰ এই ঐতিহাসিক দিনটোতে ভাৰতীয় সেনাৰ বীৰ জোৱানসকলে কাৰ্গিলৰ দুৰ্গম পাহাৰত 'অপাৰেচন বিজয়' সফল কৰি শত্ৰুপক্ষক পৰাস্ত কৰিছিল। দেওবাৰে সমগ্ৰ দেশৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী মোডীৰ এই আৱেগিক সামাজিক মাধ্যমৰ বাৰ্তাই দেশবাসীৰ হৃদয় স্পৰ্শ কৰাৰ লগতে সেনা বাহিনীৰ প্ৰতি অশেষ শ্ৰদ্ধা পুনৰ সাব্যস্ত কৰে।

## উজনিৰ বানত প্ৰভাৱিত ৭ লাখ লোক!

(১ পৃষ্ঠাৰ পৰা) নগৰীয়া বানত ৰগৰাকী)। বিগত ২৪ ঘণ্টাত শিৱসাগৰত ৫গৰাকী আৰু চৰাইদেউত এগৰাকীকে ধৰি পুনৰ ছগৰাকী লোকে কৰুণভাৱে প্ৰাণ হেৰুৱাইছে। বান পৰিস্থিতিৰ শেহতীয়া আপডেটঃ বৰ্তমান ৰাজ্যৰ ১০খন জিলা বানৰ কবলত আছে। জিলাকেইখন হৈছে- গোলাঘাট, চৰাইদেউ, কামৰূপ, হোজাই, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, শোণিতপুৰ, কামৰূপ (মেট্ৰ') আৰু নগাঁও। বানত প্ৰভাৱিত ৰাজহ চক্ৰ: ২৮টা, প্ৰভাৱিত গাঁও: ৮১০খন, প্ৰভাৱিত জনসংখ্যা: ৬, ৫৪, ৮৩৮গৰাকী, ক্ষতিগ্ৰস্ত কৃষিভূমি: ৩৪, ৯৭০.৮হেক্টৰ। নগৰীয়া বানৰ পৰিস্থিতিইফালে, কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাত নগৰীয়া বানৰ প্ৰভাৱ দেখা গৈছে। প্ৰভাৱিত জিলা: ২খন (কামৰূপ আৰু কামৰূপ মেট্ৰ') প্ৰভাৱিত ৰাজহ চক্ৰ: ২টা, প্ৰভাৱিত ৱাৰ্ড !এলেকা: কামৰূপত ১টা আৰু কামৰূপ মহানগৰত ১ ট, প্ৰভাৱিত জনসংখ্যা: ৮৬গৰাকী, বান পৰিস্থিতিৰ বাবে কৃষিভূমি প্লাৱিত হোৱাৰ লগতে ব্যাপক ক্ষয়-ক্ষতি হৈছে। দুৰ্যোগ প্ৰশমন বাহিনীয়ে বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য কাৰ্য অব্যাহত ৰাখিছে। দেওবাৰে পুৱা শিৱসাগৰৰ দিখৌ নদীত দুটা মৃতদেহ প্ৰত্যক্ষ কৰা হৈছে। নদীত উটি অহা পুৰুষৰ মৃতদেহ দুটা শিৱসাগৰ চহৰৰ নতুন দিখৌ দলঙৰ তলত লাগি থকা এজোপা বাঁহ গছত লাগি ধৰিছিল। বানৰ ফলত মৃত্যুমুখত পৰা ইজনৰ পাছত সিজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱাত মৃত্যু হোৱা লোকৰ পৰিসংখ্যা বাঢ়ি গৈ আছে। ইপিনে, শিৱসাগৰত বান পৰিস্থিতি সামান্য উন্নতি হৈছে যদিও আঁতৰা নাই দুৰ্যোগ। আজি সপ্তম দিনাও পানীত ডুবি আছে বেতবাৰী মৌজা। পানীত ডুবি আছে মগৰাহাট অঞ্চলৰ বিস্তীৰ্ণ এলেকা। অতি ধীৰ গতিত হ্ৰাস পাইছে দৰিকাৰ পানী। আজিও বিপদসীমাৰ ডেৰ মিটাৰ ওপৰেৰে বৈ আছে দৰিকাৰ পানী। ব্ৰহ্মপুত্ৰলৈ সঠিকভাৱে ওলাই যোৱা নাই দৰিকাৰ পানী। শিৱসাগৰ চহৰৰ বি জি ৰোড আজি সপ্তম দিনাও প্লাৱিত হৈ আছে। দেওবাৰে মুখ্যমন্ত্ৰীয়ে কয়, "মই ভাবো যে ৪গৰাকী সন্ধানহীন হৈ আছে। বহুত বেছি হ'লে মৃতকৰ সংখ্যা ৭০-৭৫ হয়তো হ'ব পাৰে। আমি প্ৰথমতে ১০০ হ'বগৈ বুলি যিটো অনুমান কৰিছিলোঁ, হয়তো তাতকৈ আমি তলত থাকিম। প্ৰতিটো মৃত্যুৱে দুখলগা। সংখ্যাৰে ইয়াক তুলনা কৰিব পৰা নাযায়। " উদ্ধাৰ অভিযান মুখ্যমন্ত্ৰীয়ে কয়, "এতিয়া সকলো উদ্ধাৰ অভিযান হ'ল। সকলো অঞ্চললৈ বান সাহায্য যাব পাৰিছে। এতিয়া পানীও কমিছে, কিন্তু শিৱসাগৰ সমষ্টিৰ গৌৰীসাগৰ আৰু শিৱসাগৰ টাউনৰ কিছু অঞ্চলৰ পৰা পানী এতিয়াও যোৱা নাই? ২৫০০০ পৰিয়াললৈ: আমি বিদ্যুৎ সংযোগ কৰিব পৰা নাই। '

## এভাৰেষ্ট বিজয়ী অসমৰ প্ৰথমগৰাকী মহিলা ৰূপামণি গড়ক সম্বৰ্ধনা জ্ঞাপন

(১ পৃষ্ঠাৰ পৰা) 2 লাখ টকাৰ চেক আগবঢ়ায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লখিমপুৰ জিলাৰ বগীনদী অঞ্চলৰ ন-গাঁও পথাৰ গাঁৱৰ সুপুত্ৰী ৰূপামণিয়ে নিজৰ অদম্য সাহস, শৃংখলা আৰু কঠোৰ পৰিশ্ৰমৰ বলত সমগ্ৰ অসমলৈ এক অনন্য গৌৰৱ কঢ়িয়াই আনিছে। অত্যন্ত দুৰ্গম আৰু হিমশীতল পৰিৱেশত দেশৰ সীমা সুৰক্ষাৰ দায়িত্ব পালন কৰা ভাৰত-তিব্বত সীমা আৰক্ষী বাহিনীত 2021 চনত যোগদান কৰা এইগৰাকী সাহসী কন্যাই যোৱা 21 মে' তাৰিখে আই টি বি পি-ৰ মহিলা এভাৰেষ্ট অভিযানৰ সদস্য হিচাপে সফলতাৰে পৃথিৱীৰ সৰ্বোচ্চ শিখৰ জয় কৰি নাৰীশক্তি আৰু আত্মবিশ্বাসৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ 'নাৰীশক্তি বন্দন' কাৰ্যসূচীৰ অধীনত আই টি বি পি-ৰ এই বিশেষ মহিলা এভাৰেষ্ট অভিযানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 11 গৰাকী মহিলাকে ধৰি মুঠ 14 জনীয়া অভিযানকাৰী দলটোৰ নেতৃত্ব বহন কৰিছিল অসমৰে কন্যা তথা আই টি বি পি-ৰ সহকাৰী কমাণ্ডেণ্ট ভণিতা তিমুংপীয়ে। পৰ্বতাৰোহণৰ ক্ষেত্ৰত জীৱনৰ বহু দশক উৎসৰ্গা কৰা ভণিতা তিমুংপীয়ে ইতিমধ্যে 30টাতকৈও অধিক হিমালয়ৰ শৃংগ আৰোহণ কৰিছে আৰু তেওঁৰ অভিজ্ঞতাৰ ফলতেই যোৱা 21 মে' তাৰিখৰ এই অভিযান সফল হৈছিল বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ভণিতা তিমুংপীৰ এই প্ৰচেষ্টাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতিয়েও তেওঁক প্ৰশংসাপত্ৰ প্ৰদান কৰিছে আৰু ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা বাহিনীৰ সদস্যা হিচাপে তেওঁ আফ্ৰিকা মহাদেশতো সেৱা আগবঢ়াইছে।

ৰূপামণি গড়ৰ এই অসাধাৰণ সাফল্যক চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে হাতত লোৱা এক গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লখিমপুৰৰ বিধায়ক মানৱ ডেকাৰ বিশেষ উদ্যোগত পৰ্বতাৰোহীগৰাকীৰ বাসগৃহৰ পৰা লীলাবাৰী হাইস্কুললৈ যোৱা এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱা নতুনকৈ নিৰ্মাণ কৰি 'ৰূপামণি গড় পথ' নামেৰে নামকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে এভাৰেষ্ট আৰোহণৰ ইতিহাস আৰু মানৱীয় সাহসিকতাৰ বিষয়েও বিস্তৃতভাৱে আলোকপাত কৰে। 1953 চনৰ 29 মে'ত এডমাণ্ড হিলাৰী আৰু টেনজিং নৰ্গেই প্ৰথমবাৰৰ বাবে এভাৰেষ্ট জয় কৰাৰ কথা সোঁৱৰণ কৰি তেওঁ কয় যে মানুহৰ বিফলতাই মানুহৰ সফলতাৰ স্তম্ভ। 1921 চনত প্ৰথমবাৰ আৰু তাৰ পিছত দ্বিতীয়বাৰ বিফল হোৱাৰ পিছতো 1924 চনত তৃতীয়বাৰৰ বাবে এভাৰেষ্ট জয় কৰিবলৈ গৈ মৃত্যুক সাৱটি লোৱা ব্ৰিটিছ পৰ্বতাৰোহণকাৰী জৰ্জ মেলৰীৰ অদম্য সাহসৰ কথা তেওঁ শ্ৰদ্ধাৰে সোঁৱৰে। মৃত্যুৰ 75 বছৰৰ পিছত বৰফৰ মাজত মেলৰীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মেলৰীৰ স্মৃতিত আয়োজিত সভাত তেওঁৰ সতীৰ্থই এভাৰেষ্ট শৃংগক উদ্দেশ্যি কোৱা এযাৰ বাক্য উদ্ধৃত কৰে— "তুমি আমাক তিনিবাৰ পৰাস্ত কৰিলা। কিন্তু এদিন আমি তোমাক পৰাস্ত কৰিমেই। কাৰণ তুমি এতিয়া যিমান ওখ, তাতকৈ বেছি ওখ কেতিয়াও হ'ব নোৱাৰা, কিন্তু আমি মানুহ, আমি সদায় ওখ হৈ গৈয়েই থাকিম।"

অসমৰ পৰ্বতাৰোহণৰ এক সুদীৰ্ঘ ইতিহাসৰ স্মৃতিচাৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 1968 চনত ৰোহিণী কুমাৰ ভূঞা আৰু অতনু প্ৰসাদ বৰুৱাই 'অসম পৰ্বতাৰোহণ সংস্থা' জন্ম দি এই যাত্ৰাৰ পাতনি মেলিছিল। 1970 চনৰ 28 ছেপ্টেম্বৰত ৰোহিণী কুমাৰ ভূঞাই খগেন্দ্ৰনাথ বৰাৰ সৈতে 6,352 মিটাৰ উচ্চতাৰ বেথাৰতলি ছাউথ শৃংগত সফলতাৰে আৰোহণ কৰি হিমালয়ত প্ৰথম অসমীয়া পতাকা উৰুৱাইছিল। তাৰ মাত্ৰ পাঁচ দিন পিছত, 3 অক্টোবৰত অজিত শৰ্মা আৰু ভগৎ সিঙে মৃগথুনী শৃংগ আৰোহণ কৰিছিল। 1974 চনত 'দ্য এডভেন্সাৰ্ছ' নামেৰে অসমৰ দ্বিতীয়টো পৰ্বতাৰোহণকাৰী সংস্থাৰ জন্ম দিয়া ৰোহিণী কুমাৰ ভূঞাই 1979 চনৰ 5 অক্টোবৰত কেদাৰনাথ ড'ম শৃংগৰ পৰা উভতি অহাৰ পথত তুষাৰ ধুমুহাত মৃত্যুবৰণ কৰে। ইয়াৰ পিছত নেছিম আখতাৰৰ নেতৃত্বত 'এডভেন্সাৰ্ছ ফ'ৰাম অৱ ইউথ' আৰু 1985 চনত 'এক্সপ্ল'ৰাৰ্ছ' নামৰ সংস্থাৰ জন্ম হয়। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে 2012 চনত প্ৰণয় বৰদলৈয়ে এভাৰেষ্টৰ 3 নম্বৰ শিবিৰৰ পৰা উভতি আহিবলগীয়া হোৱাৰ পিছত 2013 চনৰ 19 মে'ত তৰুণ শইকীয়াই প্ৰথম অসমীয়া হিচাপে এভাৰেষ্ট জয় কৰে আৰু একে বছৰৰে 25 মে'ত মণীষ কুমাৰ ডেকায়ে এই সফলতা অৰ্জন কৰে। 2015 চনত ৰাজ্য চৰকাৰৰ অনুপ্ৰেৰণাত নন্দ দুলাল দাস, হেনৰী ডেভিড তেৰণ, খৰছিং তেৰাঙে এভাৰেষ্ট আৰোহণ কৰাৰ পাছত সেই বছৰতে নৱ কুমাৰ ফুকনেও এভাৰেষ্ট আৰোহণ কৰে বুলি তেওঁ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ইমানবোৰ সফল অভিযানৰ পিছতো কোনো অসমীয়া মহিলাই এভাৰেষ্ট জয় কৰিব পৰা নাছিল, যাৰ বাবে ৰূপামণি গড়ৰ এই সাফল্য ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ৰাজ্যৰ নৱপ্ৰজন্মক পৰ্বতাৰোহণৰ দৰে দুঃসাহসিক অভিযানত অংশগ্ৰহণ কৰিবলৈ বিশেষভাৱে আহ্বান জনাই কয় যে অসমৰ পৰ্বতাৰোহীয়ে কাঞ্চনজংঘা অভিযানৰ বাবেও প্ৰচেষ্টা চলাইছে যদিও হিমালয়ৰ বুকুত এতিয়াও বহুতো শৃংগ আৰোহণ কৰিবলৈ বাকী আছে। তেওঁ কয় যে দেশ-বিদেশৰ পৰ্বতাৰোহীৰ দৰে অসমীয়া যুৱক-যুৱতীসকলেও এই শৃংগসমূহ জয় কৰাৰ প্ৰয়াস কৰিব লাগিব আৰু উঠি অহা প্ৰজন্মই ক্ৰীড়া তথা পৰ্বতাৰোহণক এক সুন্দৰ কেৰিয়াৰ হিচাপে গ্ৰহণ কৰিব লাগিব, য'ত চৰকাৰেও সকলোধৰণৰ উৎসাহ যোগাব। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ আৰম্ভ হোৱা কমনৱেলথ গেমছৰ 'মাৰ্চ পাষ্ট'ত অসম কন্যা লাভলীনা বৰগোহাঁইয়ে হাতত পতাকা লৈ ভাৰতীয় দলক সন্মুখৰ পৰা নেতৃত্ব দি সমগ্ৰ অসমবাসীক গৌৰৱান্বিত কৰাৰ কথাও গৌৰৱেৰে উল্লেখ কৰে।

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ভৱিষ্যতে পৰ্বতাৰোহণৰ ক্ষেত্ৰত ৰাজ্যৰ যুৱপ্ৰজন্মক উৎসাহিত আৰু প্ৰশিক্ষিত কৰাৰ স্বাৰ্থত এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়ায়। তেওঁ সদৰী কৰে যে চৰকাৰে আই টি বি পি কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰিব আৰু যদি তেওঁলোক মান্তি হয়, তেন্তে ৰূপামণি গড়ক অসম আৰক্ষীত উপ-পৰিদৰ্শক হিচাপে নিযুক্তি প্ৰদান কৰা হ'ব, যাতে তেওঁৰ জৰিয়তে অসমৰ আৰু দহগৰাকী যুৱক-যুৱতী পৰ্বতাৰোহণৰ বাবে অনুপ্ৰাণিত হ'ব পাৰে।

আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, লখিমপুৰ সমষ্টিৰ বিধায়ক মানৱ ডেকা, ৰঙাপাৰা সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব কৃষ্ণকমল তাঁতী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ বিশেষ সচিব কে জে হিলালীৰ লগতে পৰ্বতাৰোহণৰ লগত জড়িত বহুসংখ্যক যুৱক-যুৱতী আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

## এছটিএফৰ গ্ৰেপ্তাৰ কাৰ্যক আদৰণি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

(১ পৃষ্ঠাৰ পৰা) অপৰাধী নেটৱৰ্ক শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ কাৰ্যকলাপৰ বিশ্বাসযোগ্য চোৰাংচোৱা তথ্যৰ পিছত এছটিএফ আৰক্ষী থানাৰ গোচৰ নং ০৬! ২০২৬ৰ সৈতে জড়িত এই অভিযান আৰম্ভ কৰা হৈছে দেশৰ বিভিন্ন প্ৰান্তত সন্ত্ৰাসবাদী কাৰ্যকলাপ। তদন্তকাৰীয়ে অভিযোগ কৰিছে যে এই নেটৱৰ্কটোৱে পাকিস্তানৰ আন্তঃসেৱা চোৰাংচোৱা সংস্থাৰ নিৰ্দেশনাত এনক্ৰিপ্ট কৰা যোগাযোগ চেনেল ব্যৱহাৰ কৰি পাকিস্তান ভিত্তিক হেণ্ডলাৰৰ জৰিয়তে কাম কৰে। এছটিএফে আৰু দাবী কৰে যে নেটৱৰ্কটোৱে খালিস্তান আৰ্মড ফৰ্চ (কেএএফ), পঢ়াব ছ'ভাৰেইণ্টি এলায়েন্স (পিএছএ), খালিস্তান লিবাৰেশ্যন আৰ্মি (কেএলএ), শ্বেৰ-ই-পাঢ়াব ব্ৰিগেড (এছপিবি), ইউনাইটেড ছিখ ব্ৰাদাৰহুড (ইউএছবি), শিখ টাইগাৰ্ছ অৱ খালিস্তান (এছটিকে) আৰু তেহৰিক-ই-তালিবান হিন্দুস্তান (টিটিএইচ)কে ধৰি কেইবাটাও কথিত ফ্ৰণ্ট সংগঠনৰ জৰিয়তে কাম কৰে ইয়াৰ কাৰ্য্যকৰী গাঁথনি আৰু সীমা অতিক্ৰম কৰা সংযোগ। সংস্থাটোৰ মতে, ২০২৬ চনৰ ২২ ফব্ৰুৱাৰী আৰু ২৪ মে'ত পঢ়াৱ আৰক্ষীৰ দুজন জোৱানক লক্ষ্য কৰি হত্যা কৰাৰ বাবে টিটিএইচেই দায়িত্ব স্বীকাৰ কৰিছিল। নলবাৰী জিলাত চলিত বৰ্ষৰ ২২ মে'ত এজন কথিত অপাৰেটিভক গ্ৰেপ্তাৰ কৰা তদন্তৰ সময়তে এই নেটৱৰ্ক প্ৰথমে অসমত ৰাডাৰৰ আওতালৈ আহিছিল বুলি জানিবলৈ দিয়ে। অধিক তদন্ত অব্যাহত আছে।

## অসমৰ বান ঃ কেন্দ্ৰৰ পৰ্যাপ্ত সহায়-সহযোগিতাৰ আশ্বাস কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ

(১ পৃষ্ঠাৰ পৰা) কয়, "চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বহু অঞ্চলত এতিয়াও বানৰ বিভীষিকা অব্যাহত আছে। এই প্ৰতিকূল সময়ত বানাক্ৰান্ত পৰিয়ালসমূহৰ কাষত থিয় দিয়াটো আমাৰ নৈতিক দায়িত্ব। সেই উদ্দেশ্যৰে অসম অলিম্পিক সন্থাৰ উদ্যোগত খাদ্য, বস্ত্ৰৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী লৈ নাজিৰা, চৰাইদেউ আৰু শিৱসাগৰৰ বানপীড়িত অঞ্চলসমূহলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে। আজি ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰপৰা এই সাহায্য অভিযানৰ শুভাৰম্ভ কৰিলোঁ। ঐক্যবদ্ধ প্ৰচেষ্টা আৰু সামূহিক সহযোগিতাৰ জৰিয়তে আমি এই সংকট অতিক্ৰম কৰিব পাৰিম বুলি বিশ্বাস ৰাখিছোঁ। বানপীড়িত পৰিয়ালসমূহৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যৌথ প্ৰচেষ্টাত তৎপৰতাৰে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। "ইয়াৰ পাছতেই সৰ্বানন্দ সোণোৱালে শিৱসাগৰৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়, লখিমী নগৰ মধ্য ইংৰাজী বিদ্যালয়, নাজিৰা সমষ্টিৰ বিহুবৰ শিৱ মন্দিৰ চৌহদ আদি বিভিন্ন প্ৰান্তত স্থাপন কৰা বান সাহায্য শিবিৰসমূহ পৰিদৰ্শন কৰে। শিবিৰত উপস্থিত হৈ বানপীড়িত পৰিয়ালসমূহৰ সৈতে মত-বিনিময় কৰাৰ লগতে খাদ্য, বিশুদ্ধ খোৱাপানী, স্বাস্থ্যসেৱা, ঔষধ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ উপলব্ধতাৰ বুজ লয়। পৰিদৰ্শনকালত সংশ্লিষ্ট বিষয়াসকলক কোনো ধৰণৰ অৱহেলা নকৰাকৈ শিবিৰসমূহত সকলো প্ৰয়োজনীয় সুবিধা অব্যাহত ৰখাৰ লগতে বানপীড়িতসকলে যাতে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে সতৰ্কতাৰে দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত সোণোৱালে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত চৰকাৰে এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ সৈতে দৃঢ়তাৰে থিয় হৈ আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সমন্বয় সাধন কৰি বানাক্ৰান্ত প্ৰতিগৰাকী লোকৰ কাষলৈ সময়মতে সকলোধৰণৰ সহায় আগবঢ়োৱাৰ বাবে অবিৰতভাৱে কাম কৰি আছে। প্ৰতিগৰাকী নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে খাদ্য, স্বাস্থ্যসেৱা, বিশুদ্ধ খোৱাপানী আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান অব্যাহত ৰখাটো আমাৰ অগ্ৰাধিকাৰ। "তেখেতে লগতে কয়, "প্ৰাকৃতিক দুৰ্যোগে আমাৰ ধৈৰ্য আৰু মানসিক শক্তিৰ পৰীক্ষা লয়, কিন্তু একে সময়তে মানৱতা, সহমৰ্মিতা আৰু ঐক্যৰ শক্তিকো অধিক দৃঢ় কৰি তোলে। চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন আৰু সমাজৰ সকলো স্তৰৰ সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তে আমি এই সংকট অতিক্ৰম কৰি প্ৰতিটো বানপীড়িত পৰিয়ালক পুনৰ স্বাভাৱিক জীৱনলৈ ঘূৰাই আনিবলৈ সক্ষম হ'ম। "এই পৰিদৰ্শন কাৰ্যসূচীত সোণোৱালৰ সৈতে অসম চৰকাৰৰ মন্ত্ৰী বিমল বড়া, কেশৱ মহন্ত আৰু সুশান্ত বৰগোহাঁই, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া, বিধায়ক তৰংগ গগৈ, দীপ্লু্ৰ্ন শৰ্মা আৰু ময়ূৰ বৰগোহাঁই, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্জ্বল ফুকন, ভাৰতীয় জনতা যুৱ মৰ্চা অসম প্ৰদেশৰ সভাপতি ৰাকেশ দাস, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, শিৱসাগৰ জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়াকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## কমনৱেলথ গেমছৰ চতুৰ্থ দিনত মীৰাবাই চানুৰ স্বৰ্ণ জয়

(১ পৃষ্ঠাৰ পৰা) গেমছত পুৰুষৰ ৬০ কেজি ভাৰোত্তোলন শাখাত ভাৰতৰ ঋষিকান্ত সিঙে অসাধাৰণ প্ৰদৰ্শন আগবঢ়াইছে। তেওঁ ১১৬ কিলোগ্ৰাম তুলি স্নেচ ৰাউণ্ডৰ আৰম্ভণি কৰে আৰু পৰৱৰ্তী সময়ত তেওঁৰ দ্বিতীয়টো প্ৰচেষ্টাত সহজেই ১১৯ কিলোগ্ৰাম তুলি লয়। তৃতীয় প্ৰচেষ্টাত তেওঁ ১২১ কিলোগ্ৰাম ওজন তুলি কমনৱেলথ গেমছৰ নতুন অভিলেখ গঢ়ি স্নেচ ৰাউণ্ডত অগ্ৰগতি লাভ কৰে। এই আকৰ্ষণীয় আৰম্ভণিৰ পিছত এতিয়া তেওঁ ক্লিন এণ্ড জাৰ্ক ৰাউণ্ডলৈ আগবাঢ়িব, যাৰ ফলত তেওঁৰ পদক লাভৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পাব। ভাৰতৰ তাৰকা ভাৰোত্তোলক মিৰাবাই চানুৱে ২০২৬ চনৰ কমনৱেলথ গেমছত উজ্জল প্ৰদৰ্শন আগবঢ়াইছে। মহিলাৰ ৪৮ কেজি শাখাৰ স্নেচ ৰাউণ্ডত দ্বিতীয়বাৰৰ বাবে ৮২ কেজি আৰু তৃতীয়বাৰৰ বাবে ৮৫ কেজি ওজন তুলি একেৰাহে দুবাৰকৈ নতুন অভিলেখ গঢ়িবলৈ সক্ষম হয়। তাইৰ ওপেনিং লিফটৰ বাবে ৮২ কেজি বাছি লৈছিল-সকলো প্ৰতিযোগীৰ ভিতৰত আটাইতকৈ বেছি আৰম্ভণিৰ ওজন-যাৰ অৰ্থ আছিল তাই আন খেলুৱৈতকৈ বহু পিছত মঞ্চত উঠিছিল। ইফালে নাইজেৰিয়াৰ থেলমা আৰু শ্ৰীলংকাৰ উপমালি তিনিওটা চেষ্টাতে ব্যৰ্থ হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। তেওঁৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবেই মীৰাবাই চানুৱে স্বৰ্ণ পদক লাভ কৰাত সফল হয়। ভাৰতীয় ভাৰোত্তোলক আৰ মুথুপাণ্ডীয়ে ৰূপৰ পদক লাভ কৰে। তেওঁ এই কৃতিত্ব অৰ্জন কৰিছিল মুঠ ২৮৬ কিলোগ্ৰাম ওজন তুলি, য'ত স্নেচত ১২৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কিলোগ্ৰাম আছিল। প্ৰতিযোগিতাৰ চতুৰ্থ দিনটোত ভাৰতে মুঠ তিনিটা পদক লাভ কৰিছিল, যিবোৰৰ সকলোবোৰ ভাৰোত্তোলকে দাবী কৰিছিল; ইয়াৰ ভিতৰত মিৰাবাই চানুৰ সোণৰ পদক আছিল, আনহাতে আন দুগৰাকী খেলুৱৈয়ে দেশৰ হৈ ৰূপৰ পদক লাভ কৰিছিল। মহিলাৰ যুটি লন বাউল ইভেণ্টত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয় ভাৰতীয় দলটোৱে। ছেকচন বি ৰাউণ্ড-৫ মেচত ভাৰতীয় যুটি ৰূপা ৰাণী তিৰ্কী আৰু পিংকিৰ মুখামুখি হয় ইংলেণ্ডৰ এমি ফাৰাউ আৰু ছিয়ান অন'ৰ। ১-১ গ'লত সমতা স্থাপন কৰাৰ পাছত ইংলেণ্ডে টাই ব্ৰেকাৰত ভাৰতক ১-০ গ'লত পৰাস্ত কৰে। এই পৰাজয়ৰ লগে লগে ভাৰতীয় মহিলা দলৰ ছেমি ফাইনেলত প্ৰৱেশৰ আশা ভেঙুচালি হৈছে। ভাৰতীয় মহিলা বক্সাৰ প্ৰীতিয়ে উৎকৃষ্ট ফৰ্ম প্ৰদৰ্শন কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ৫৪ কেজি শাখাৰ ৰছ ৰাউণ্ডৰ মেচত মালাউইৰ ডেব'ৰা মাটেঞ্জেৰ বিৰুদ্ধে খেলিছিল। প্ৰথম ৰাউণ্ডত আৰামদায়কভাৱে জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডতো প্ৰতিপক্ষৰ ওপৰত আদেশমূলক অগ্ৰগতি বজাই ৰাখিছিল প্ৰীতিয়ে। (৭ পৃষ্ঠালৈ)

## কমনৱেলথ গেমছৰ চতুৰ্থ দিনত মীৰাবাই চানুৰ স্বৰ্ণ জয়

(৬ পৃষ্ঠাৰ পৰা) দ্বিতীয় ৰাউণ্ডৰ সময়ত ৰেফাৰীয়ে খেলখন বন্ধ কৰি প্ৰীতিক বিজয়ী ঘোষণা কৰে। এই বিজয়ৰ লগে লগে কমনৱেলথ গেমছত পদক লাভৰ বহু ওচৰ চাপিছে প্ৰীতি। ভাৰতীয় মহিলা বক্সাৰ প্ৰীতিৰ ৫৪ কেজি শাখাৰ প্ৰতিযোগিতা আৰম্ভ হৈছে; এই ৰাউণ্ড অব ১৬ মেচত ডেবৰা মাটেঞ্জৰ বিৰুদ্ধে খেলিব। লন বাউলত মহিলাৰযোৰ ছেকচনেল মেচ চলি আছে। ছেকচন বি ৰাউণ্ড-৫ মেচত ভাৰতীয় যুটি ৰূপা ৰাণী তিৰ্কী আৰু পিংকিয়ে ইংলেণ্ডৰ এমি ফেৰাউন আৰু ছিয়ান অন'ৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছে। মীৰাবাই চানুক স্বৰ্ণ পদক লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জনাইছে। এক্সৰ ওপৰত লিখি তেওঁ মন্তব্য কৰে, "ভাৰতীয় ভাৰোত্তোলনৰ আন এক ভয়ংকৰ অধ্যায়হ্ল প্ৰতিভাৱান মিৰাবাই চানুৱে পুনৰবাৰ কমনৱেলথ গেমছত নিজৰ দক্ষতা প্ৰদৰ্শন কৰিছে। তেওঁ ৪৮ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰিবলৈ এক তাৰকাময় প্ৰদৰ্শন আগবঢ়াইছে। কমনৱেলথ গেমছত একেৰাহে স্বৰ্ণ পদক লাভ কৰি আৰু সামগ্ৰিকভাৱে চতুৰ্থটো কমনৱেলথ পদক লাভ কৰি তেওঁ হৈয়েই আছে। " প্ৰতিজন ভাৰতীয়লৈ প্ৰেৰণা। কমনৱেলথ গেমছত ভাৰতৰ প্ৰথমটো স্বৰ্ণ পদক অৰ্জন কৰিছে মিৰাবাই চানুৱে। এতিয়া গেমছত একেৰাহে তৃতীয়বাৰৰ বাবে স্বৰ্ণ পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সক্ষম হৈছে ছানীয়ে। স্নেচ ইভেণ্টৰ পিছত মিৰাবাইয়ে দ্বিতীয়বাৰৰ বাবে ক্লিন এণ্ড জাৰ্কত ১০৫ কেজি ওজন তুলি লয়। মুঠ ১৯০ কেজি ওজনেৰে শীৰ্ষ স্থান দখল কৰে ছানীয়ে। মহিলাৰ ৪৮ কেজি শাখাত স্নেচ ৰাউণ্ডৰ পিছত এতিয়া ভাৰোত্তোলকসকলে ক্লিন এণ্ড জাৰ্ক ৰাউণ্ডত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে; এই ৰাউণ্ডত প্ৰথম প্ৰচেষ্টাৰ বাবে ভাৰতীয় ভাৰোত্তোলনকাৰী মিৰাবাই চানুৱে ১০৫ কিলোগ্ৰাম টাৰ্গেট লিফট ঘোষণা কৰিছে।

## মান কি বাটৰ ১৩৬ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰীৰ ভাষণ

(১ পৃষ্ঠাৰ পৰা) এটা তাৰিখ। আজি 'কাৰগিল বিজয় দিৱাস'। এই দিনটোৱে আমাক গৌৰৱেৰে ভৰাই তোলে। এই দিনটোৱে আমাৰ বীৰ জোৱানসকলৰ অসাধাৰণ সাহসৰ কথা মনত পেলাই দিয়ে। কাৰ্গিলৰ উচ্চ শৃংগ, কঠোৰ বতৰ, শত্ৰুৰ প্ৰত্যাহ্বান-আমাৰ সৈন্যসকলে এনে প্ৰতিটো পৰিস্থিতিৰ সন্মুখীন হৈছিল, তথাপিও তেওঁলোকৰ আত্মা প্ৰতিটো প্ৰত্যাহ্বানতকৈও অধিক আছিল। মা ভাৰতীৰ ৰক্ষাৰ বাবে তেওঁলোকে নিজৰ সকলো ত্যাগ কৰিছিল। আজি 'কাৰগিল বিজয় দিৱাস'ত সকলো বীৰ শ্বহীদ আৰু জোৱানক শ্ৰদ্ধাৰে প্ৰণাম জনাইছো। বন্ধুসকল, আজিৰ ভাৰতে কেৱল তাইৰ বীৰসকলক স্মৰণ কৰাই নহয়, তেওঁলোকৰ কাহিনী নতুন প্ৰজন্মলৈও প্ৰেৰণ কৰে। ঠিক এই আৱেগেৰে এইবাৰ এক বিশেষ 'শৌৰ্য্য বিজয় যাত্ৰা'ৰ আয়োজন কৰা হৈছে। ১৪ জুলাইৰ পৰা দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মৃতিসৌধৰ পৰা আৰম্ভ হোৱা এই মটৰ চাইকেল ৰেলীখনে দ্ৰাছৰ কাৰ্গিল যুদ্ধ স্মাৰকত উপস্থিত হ'ব। ইয়াৰ বাৰ্তা হ'ল — "এক ৰাইড, ৱান নেচন, ৱান চেলুট। " এই যাত্ৰাই আমাক সোঁৱৰাই দিয়ে যে জাতিৰ বাবে যি ত্যাগ কেতিয়াও পাহৰিব নোৱাৰি। বন্ধুসকল, আজি সৈনিকৰ সাহসৰ সমান্তৰালভাৱে ভাৰতেও নিজৰ প্ৰযুক্তিগত সাৰ্মথ্যক নিৰন্তৰভাৱে শক্তিশালী কৰি তুলিছে। কিছুদিন পূৰ্বে আই এন এছ মহেন্দ্ৰগিৰীক ভাৰতীয় নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই আধুনিক যুদ্ধজাহাজখন ভাৰততে ডিজাইন আৰু নিৰ্মাণ কৰা হৈছে। ইয়াত ব্যৱহৃত সামগ্ৰীৰ ৭৫ শতাংশতকৈ অধিক থলুৱা। ই এক 'আত্মনিৰ্ভৰ ভাৰত'ৰ ক্ৰমবৰ্ধমান শক্তিৰ প্ৰতীক। এই মাহতে ডি আৰ ডি অ'ই পিনাকা লং-ৰ্গে গাইডেড ৰকেটৰো সফলতাৰে পৰীক্ষা কৰে। এই সফলতাৰ আঁৰত নিহিত হৈ আছে আমাৰ বিজ্ঞানী আৰু অভিযন্তাসকলৰ সামূহিক অধ্যৱসায়। মাত্ৰ দুই-তিনি দিন পূৰ্বে ডি আৰ ডি অ'ইও কুছা ক্ষেপণাস্ত্ৰৰ সফলতাৰে পৰীক্ষা কৰিছিল। বন্ধুসকল, প্ৰতিৰক্ষা উৎপাদন হওক, প্ৰতিৰক্ষা ৰপ্তানি হওক বা বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰৰ সৈতে ৰাজনৈতিক সহযোগিতাই হওক-ভাৰত অহৰহ নতুন উচ্চতা বৃদ্ধি পাইছে। চলিত মাহৰ আৰম্ভণিতে মই ইণ্ডোনেছিয়াত আছিলো, য'ত ব্ৰাহমছ আৰু এষ্ট্ৰা মিছাইল সন্দৰ্ভত এক বৃহৎ চুক্তি সম্পন্ন হৈছিল। ভাৰতৰ প্ৰতিৰক্ষা সঁজুলি আৰু প্ৰযুক্তিৰ ওপৰত বিশ্বব্যাপী আস্থা বাঢ়িছে। এই 'কাৰগিল বিজয় দিৱাস', আহক আমি আমাৰ অমৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনাও আৰু এখন সুৰক্ষিত, সক্ষম, আৰু স্বাৱলম্বী ভাৰত গঢ়াৰ সংকল্প আৰু অধিক শক্তিশালী কৰোঁ। মোৰ প্ৰিয় দেশবাসীসকল, 'মন কি বাত'ৰ আগৰ খণ্ডটোত আপোনালোকৰ লগত 'Catch The Rain' অভিযানৰ বিষয়ে কথা পাতিছিলো। বৰষুণৰ প্ৰতিটো টোপাল সংৰক্ষণৰ এই অভিযানক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিবলৈ মই আবেদন জনাইছিলোঁ। 'Catch The Rain'ৰ বাৰ্তাটো অতি সহজ: বৰষুণ য'ত আৰু যেতিয়া পৰে তাতেই পানী সংৰক্ষণ কৰক। সেইবাবেই ৪ জুলাইৰ পৰা দেশজোৰা এক বিশেষ অভিযান চলি আছে। এই পদক্ষেপৰ অধীনত বৰষুণৰ পানী সংগ্ৰহ, ভূগৰ্ভস্থ পানী পুনৰ ভৰোৱা, পুৰণি জলভাগৰ সজীৱতা, বৃক্ষৰোপণ আদিৰ ক্ষেত্ৰত সতেজ গতি প্ৰদান কৰা হৈছে। গাঁও হওক বা চহৰ হওক, পঞ্চায়ত হওক বা সামাজিক সংগঠন হওক — সকলো ঠাইতে মানুহৰ পৰা আপ্লুত অংশগ্ৰহণ দেখি মই আনন্দিত হৈছো। কোনো কোনো ঠাইত পুৰণি পুখুৰীৰ পৰা পলি আঁতৰোৱা হৈছে, আন কোনো ঠাইত কূপ আৰু ষ্টেপৱেল পুনৰ সজীৱ কৰি তোলা হৈছে। এতিয়া ব্যৱহাৰ নোহোৱা ব'ৰৱেলে ভূগৰ্ভস্থ পানী পুনৰ ভৰোৱাৰ বাবে চেনেল হিচাপে কাম কৰি আছে। বন্ধুসকল, মধ্যপ্ৰদেশৰ সিধি জিলাত প্ৰায় ১৫০০টা পুখুৰী নিৰ্মাণ কৰা হৈছে। 'অমৃত সৰোৱৰ' নৰসিংহপুৰত পুনৰ সংস্থাপন কৰা হৈছে। মহাৰাষ্ট্ৰৰ নাছিকত উল্লেখযোগ্য পানী সংৰক্ষণ ক্ষমতা গঢ়ি তোলা হৈছে। অন্ধ্ৰপ্ৰদেশৰ নন্দিয়ালত সকলো গাঁও পঞ্চায়তে এই অভিযানত যোগদান কৰিছে, পুৰণি পুখুৰীবোৰ পুনৰ কাৰ্যক্ষম কৰি তোলা হৈছে। আমাৰ চহৰবোৰো পিছ পৰি থকা নাই; এই অভিযানৰ পৰা উৎসাহজনক ফলাফল কোৰবা (চত্তীশগড়), ভুৱনেশ্বৰ (ওড়িশা), আৰু বিজিয়ানগৰম (অন্ধ্ৰ প্ৰদেশ)ত দেখা যায়। আহকচোন, আমাৰ ওচৰ-চুবুৰীয়া এটা পুখুৰী, কুঁৱা, বা ষ্টেপৱেলৰ দায়িত্বও লওঁ আহক — প্ৰতিটো টোপাল পানী ৰক্ষা কৰক। আজি সঞ্চয় হোৱা প্ৰতিটো টোপালেই আগন্তুক প্ৰজন্মৰ ভৱিষ্যতৰ বাবে সৰ্ববৃহৎ সম্পদ হিচাপে কাম কৰে। মোৰ প্ৰিয় সহ নাগৰিকসকল, গ্লাছগোত কমনৱেলথ গেমছ আৰম্ভ হৈছিল, মাত্ৰ কেইদিনমানৰ আগতে। প্ৰতিজন ভাৰতীয়ই ভাৰতীয় দলটোক অহৰহ নিজৰ শুভেচ্ছা জনাইছে। সকলো খেলুৱৈ আৰু খেলুৱৈয়ে ব্যতিক্ৰমীভাৱে ভাল প্ৰদৰ্শন কৰি ৰাইজৰ হৃদয় জয় কৰাটো তেওঁলোকৰ কামনা। বন্ধুসকল, শেহতীয়াকৈ আমাৰ যুৱক-যুৱতীসকলে ক্ৰীড়াত উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰিছে। পিভি সিন্ধু বেডমিণ্টনত জাপান অ'পেনৰ খিতাপ দখল কৰা প্ৰথমজন ভাৰতীয় হিচাপে পৰিগণিত হৈছে; তাইৰ এই কৃতিত্বৰ বাবে সমগ্ৰ জাতিটোৱে গৌৰৱান্বিত। লণ্ডনৰ লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰথমখন টেষ্ট মেচতো ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে জয়লাভ কৰে। এয়া এক ঐতিহাসিক জয়; আমাৰ দলটোৱে ২৭০ ৰানৰ বৃহৎ ব্যৱধানত জয়লাভ কৰে। কিন্তু সেয়াই সকলো নহয় — লৰ্ডছৰ দীৰ্ঘ ইতিহাসত এইখনেই আছিল মহিলা দলে খেলা প্ৰথমখন টেষ্ট মেচ। ঠিক এই ভিত্তিতে ভাৰতে ১৯৮৩ চনত প্ৰথমবাৰৰ বাবে ক্ৰিকেট বিশ্বকাপ জয় কৰিছিল। এতিয়া আমাৰ 'নাৰি শক্তি'ই তাত থকা জাতিটোৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। বন্ধুসকল, সৰু সৰু পদক্ষেপো আছে যিবোৰে অতি তাৎপৰ্য বহন কৰে। কেৰালামৰ এৰ্নাকুলামৰ দক্ষিণ চিত্তুৰত এনে এটা ক্ৰীড়া সম্পৰ্কীয় পদক্ষেপৰ বিষয়ে জানিব পাৰিলোঁ। তাত থকা এখন বিদ্যালয়ত সংস্কৃত ক্লাব আছে য'ত অভিলাষ জী নামৰ এজন শিক্ষকে সংস্কৃতক এক অনন্য ৰূপত জনপ্ৰিয় কৰি তুলিছে। এই প্ৰকল্পৰ নাম দিয়া হৈছে 'অক্ষৰকাণ্ডুক'; ইয়াত সংস্কৃত আখৰবোৰক ফুটবলত ব্যৱহৃত শব্দৰ সৈতে সংযোগ কৰি সহজভাৱে ব্যাখ্যা কৰা হৈছে। ইয়াৰ ফলত শিক্ষণ উপভোগ্য হোৱাৰ লগতে মানুহ আৰু ক্ৰীড়াৰ মাজত গভীৰ সংযোগ গঢ়ি তোলা হয়। মোৰ প্ৰিয় দেশবাসীসকল, যোৱা দেওবাৰে 'বিক্ৰম-ৰ'ৰ সফল উন্মোচনৰ পিছত প্ৰতিজন ভাৰতীয় গৌৰৱেৰে ভৰি পৰিছে। ভাৰতৰ মহাকাশ খণ্ডৰ বাবে এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী আছিলোঁ আমাৰ সকলো ভাৰতীয়। ব্যক্তিগত খণ্ডই নিৰ্মাণ কৰা ভাৰতৰ প্ৰথমটো ৰকেট। আমাৰ যুৱ উদ্ভাৱকসকলে এনেকুৱা এটা কাম লাভ কৰিছিল যিটো এসময়ত কল্পনা কৰাটোও কঠিন আছিল... তেওঁলোকে উল্লেখযোগ্য দক্ষতা, আবেগ, আৰু ধৈৰ্য্য প্ৰদৰ্শন কৰিছিল। দীৰ্ঘদিন ধৰি আমাৰ মহাকাশ খণ্ড ব্যক্তিগত খণ্ডৰ বাবে বন্ধ হৈ থাকিল, যাৰ ফলত বহু আগ্ৰহী যুৱক-যুৱতীক নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগৰ পৰা বঞ্চিত হ'ল। যুৱক-যুৱতীসকলৰ স্বাৰ্থ মনত ৰাখি আমি মহাকাশ খণ্ডটো ব্যক্তিগত উদ্যোগৰ বাবে মুকলি কৰি দিলোঁ, আৰু আজি ইয়াৰ ফল বিশ্বই প্ৰত্যক্ষ কৰিছে। বন্ধুসকল, আমাৰ যুৱ বন্ধুসকলেও বিজ্ঞানৰ ক্ষেত্ৰত ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিজ্ঞান অলিম্পিয়াড বিশ্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰতিযোগিতাসমূহৰ ভিতৰত অন্যতম। এই অনুষ্ঠানসমূহত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মাত্ৰ এই মাহতে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান, আৰু গণিতৰ অলিম্পিয়াড অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাসমূহত ভাৰতীয় দলটোৱে এক দৰ্শনীয় প্ৰদৰ্শন আগবঢ়ায়। পদাৰ্থ বিজ্ঞান অলিম্পিয়াডত আমাৰ পাঁচোজন ছাত্ৰই স্বৰ্ণ পদক লাভ কৰিছিল, আৰু ভাৰতে শীৰ্ষ স্থান দখল কৰিছিল। বিগত দশকত আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিখন পদাৰ্থ বিজ্ঞান অলিম্পিয়াডত হয় স্বৰ্ণ বা ৰূপৰ পদক লাভ কৰিছে। ৰসায়ন বিজ্ঞানৰ অলিম্পিয়াডতো আমাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে স্বৰ্ণ পদক লাভ কৰিছিল। এইটোৱেই আমাৰ এতিয়ালৈকে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। আমাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে জীৱবিজ্ঞান অলিম্পিয়াডতো পদক লাভ কৰিছিল, য'ত এটা সোণৰ পদকও আছিল। আনহাতে, গণিত অলিম্পিয়াডত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে দুটা স্বৰ্ণ আৰু চাৰিটা ৰূপৰ পদক লাভ কৰে। জাতিটোৰ যুৱ শক্তিক লৈ মই অসীম গৌৰৱান্বিত। ভাৰতত অলিম্পিয়াড আৰু হেকাথনৰ সংস্কৃতি ক্ৰমাগতভাৱে বৃদ্ধি পোৱাটো আনন্দদায়ক। মোৰ বিশ্বাস যে সমগ্ৰ দেশৰ অধিক সংখ্যক যুৱক-যুৱতীয়ে এনে মঞ্চত আগ্ৰহ প্ৰকাশ কৰিব আৰু ভাৰতৰ পতাকাখন ওখকৈ উৰুৱাই ৰাখিব। মোৰ প্ৰিয় দেশবাসীসকল, যেতিয়া কোনোবাই কিবা এটা লাভ কৰাৰ প্ৰতিভা আৰু আবেগ দুয়োটাৰে অধিকাৰী হয়, তেতিয়া প্ৰতিটো পথ সহজ হৈ পৰে। তাৰ আভাস কাশ্মীৰৰ পৰম্পৰাগত 'ভাগু' মেটৰ সন্দৰ্ভত বৰ্তমান চলি থকা প্ৰচেষ্টাত স্পষ্ট হৈ পৰিছে। ইয়াক নল আৰু ধানৰ খেৰৰ পৰা তৈয়াৰ কৰা হয়। এই মেট বনোৱাৰ পৰম্পৰা বহু বছৰৰ আগৰ। কাশ্মীৰৰ জলাশয় অঞ্চলৰ পৰা ঘাঁহ আৰু নল চপোৱাৰ পৰাই এই প্ৰক্ৰিয়া আৰম্ভ হয়। ৰ'দত শুকুৱাই সামগ্ৰীবোৰ ভাগ-বতৰা কৰাৰ পিছত হাতেৰে বোৱা প্ৰক্ৰিয়া আৰম্ভ হয়। দুজন শিল্পীয়ে এটা মেট সম্পূৰ্ণ কৰিবলৈ প্ৰায় চাৰিদিন সময় লাগে। এই মেটটো অনন্য আৰু পৰিৱেশ অনুকূল দুয়োটা। এটা প্ৰধান বৈশিষ্ট্য হ'ল ই গ্ৰীষ্মকালত শীতলতা আৰু শীতকালত উষ্ণতা প্ৰদান কৰে। আগতে প্ৰতিটো কাশ্মীৰী ঘৰতে পোৱা গৈছিল যদিও যোৱা কেইবছৰমানৰ পৰা ইয়াৰ ব্যৱহাৰ কমি আহিছিল। তাৰ মাজতে শ্ৰীনগৰৰ গুলাম হুছেইন জী আৰু তেওঁৰ কন্যা তাঞ্জিলা জীয়ে প্ৰতিশ্ৰুতি লৈছিল। দুয়োজনে 'ভাগু' শিল্পৰ পৰম্পৰাক পুনৰুজ্জীৱিত কৰাৰ বাবে নিজকে উৎসৰ্গা কৰিছিল। গুলাম হুছেইন জী অতি নম্ৰ পটভূমিৰ পৰা আহিছে। এই প্ৰচেষ্টাত তেওঁ অসংখ্য প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু 'ভাগু' সংৰক্ষণৰ তেওঁৰ সংকল্প অটুট হৈ থাকিল। আৰু অলপ সময়ৰ ভিতৰতে বহু লোকে এই পদক্ষেপত যোগদান কৰিবলৈ ধৰিলে। গুলাম হুছেইন জীয়ে এই কলাক যথেষ্ট আগুৱাই লৈ গৈছিল। তেওঁ নিজৰ অভিযানৰ বাবে স্থানীয় চৰকাৰৰ সহায়ো লাভ কৰিছিল। আজি 'ভাগু'ই দ্ৰুতগতিত জনপ্ৰিয়তা অৰ্জন কৰি দেশৰ আন আন প্ৰান্তত স্থান লাভ কৰিছে। এই প্ৰচেষ্টাৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিক লৈ মই অসীম গৌৰৱান্বিত। আজি আমি সকলোৱে স্থানীয় সামগ্ৰীৰ ওপৰত গুৰুত্ব দিছো; আমি 'ভোকেল ফৰ লোকেল' মন্ত্ৰটো লৈ আগবাঢ়িছো। এই প্ৰসংগত কাশ্মীৰৰ 'ভাগু'কো আপোনাৰ ঘৰৰ অংশ হিচাপে গঢ়ি তোলাৰ কথা চিন্তা কৰক। বন্ধুসকল, আমাৰ দেশত চাহ কেৱল পানীয় নহয়-এইটোৱে একত্ৰিত হোৱাৰ অনুভৱক মূৰ্ত কৰি তুলিছে। দিনটোৰ আৰম্ভণি হওক, বন্ধু-বান্ধৱীৰ সৈতে সাক্ষাৎ হওক, পৰিয়ালৰ সৈতে মানসম্পন্ন সময় কটোৱাই হওক, চাহ প্ৰতিটো অনুষ্ঠানৰ অবিচ্ছেদ্য অংগ হৈ পৰে। আচলতে আপুনি, চাহৰ লগত মোৰ নিজৰ বন্ধনৰ বিষয়ে ভালদৰেই জানে। অৱশ্যে আজি আলোচনাৰ মাজলৈ লৈ অহা চাহখনে কেৱল সোৱাদ দিয়াই নহয়, বহু নাৰীৰ জীৱনত আত্মনিৰ্ভৰশীলতাৰ সতেজ সুগন্ধিও সোমাই দিছে। উত্তৰ প্ৰদেশৰ বিজনোৰ জিলাৰ লখিৱালা গাঁৱৰ এটা আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকলে 'বিদুৰ প্ৰেৰণা স্বদেশী বনৌষধি চাহ' সৃষ্টি কৰিছে। ইয়াত লেমনগ্ৰাছ, গিলয়, মুলেথি (লিকোৰাইচ), তুলসী, কেঁচা হলুদ, ডালচেনি, ইলাচি, আৰু ভেন্দিৰ গুটি আদি প্ৰাকৃতিক উপাদান থাকে। অনন্য সোৱাদ আৰু গুণৰ বাবে এই চাহে ৰাইজৰ মাজত দ্ৰুতগতিত নিজৰ বাবে এক নিচেই খোদিত কৰিছে। এই বনৌষধি চাহে প্ৰয়াগৰাজৰ মহাকুম্ভ আৰু দিল্লীৰ আন্তঃৰাষ্ট্ৰীয় খাদ্য মহোৎসৱত অপৰিসীম প্ৰশংসা লাভ কৰিছে; আনকি বিদেশৰ পৰা অহা দৰ্শনাৰ্থীসকলেও ইয়াৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে। বন্ধুসকল, আটাইতকৈ প্ৰেৰণাদায়ক দিশটো হ'ল এই সকলোবোৰ কেনেকৈ আৰম্ভ হৈছিল। এই সমগ্ৰ উদ্যোগটো আৰম্ভ হৈছিল মাত্ৰ এক লাখ টকাৰ বিনিয়োগেৰে। আজি এই ব্ৰেণ্ডটোৱে সমগ্ৰ দেশৰ প্ৰধান প্ৰতিষ্ঠানসমূহত স্থান লাভ কৰিছে। এই পদক্ষেপে প্ৰমাণ কৰে যে যেতিয়া স্থানীয় জ্ঞান, প্ৰকৃতি আৰু নাৰীৰ আত্মবিশ্বাস একত্ৰিত হয়, তেতিয়া এটা সৰু প্ৰচেষ্টাইও উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে। মোৰ প্ৰিয় দেশবাসীসকল, 'এক পেড মা কে নাম' অভিযানৰ জৰিয়তে সমগ্ৰ দেশৰ মানুহে প্ৰকৃতিৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰি আছে। এই আৱেগৰ সৈতে যেতিয়া সমাজ সংযুক্ত হয়, তেতিয়া সুন্দৰ আৰু প্ৰেৰণাদায়ক উদাহৰণৰ উন্মেষ ঘটে। বন্ধুসকল, জনসাধাৰণৰ অংশগ্ৰহণৰ অবিশ্বাস্য শক্তি আহমেদাবাদত প্ৰত্যক্ষ কৰা হৈছিল। ভাদাজ অঞ্চলত এঘণ্টাৰ ভিতৰতে.৭ লাখৰো অধিক পুলি ৰোপণ কৰা হয়, য'ত চপ্ত হাজাৰতকৈ অধিক লোকে এই প্ৰচেষ্টাত যোগদান কৰে। স্কুলীয়া ল'ৰা-ছোৱালী, এনচিচিৰ কেডেট, স্বেচ্ছাসেৱক, আৰু সাধাৰণ নাগৰিক-এই অভিযানত সকলোৱে অংশগ্ৰহণ কৰিছিল। আগন্তুক বছৰবোৰত এই গছপুলিবোৰ(ক্ৰমশঃ)

উত্তৰ-পূৰ্বাঞ্চলত ১২ বছৰ ধৰি সেৱা আগবঢ়োৱা একমাত্ৰ আমেৰিকান
নন-ছাৰ্জিকেল হেয়াৰ ৰিপ্লেছমেণ্ট, উইভিং বণ্ডিঙৰ সহায়ত তিনি ঘণ্টাৰ ভিতৰত প্ৰকৃত চুলি আনিব পাৰে


আগত

তপা মূৰৰ একমাত্ৰ সমাধান
নিউ ৰয়েল হেয়াৰ উইভিং চেণ্টাৰ
ছিমন হাউছ, তৃতীয় মহলা
নেপালী মন্দিৰ, ৪৪৪, পল্টনবজাৰ, গুৱাহাটী-৭৮১০০৮
ফোন ঃ ০৩৬১-২৬০৩৩৩২/৯৪৩৫৩-৪০৯৭০, ম'বাইল ঃ ৯৮৬৪০-৭৩৯২৯
পুৰুষ-মহিলা উভয়ৰ বাবে


পিছত

■ সময় ঃ ১০.০০ ৰ পৰা ৭.০০ বজালৈ ■ দেওবাৰ খোলা ঃ ১০.০০ বজাৰ পৰা ২.০০ বজালৈ

